www.newsnextone.com
# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

SATURDAY, NOVEMBER 16, 2024 ■ শনিবাৰ, ৩০ কাতি, ১৯৪৬ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ প্ৰথম বছৰ, সংখ্যা ৩১৩ Guwahati, Assam ।। মূল্যঃ এটকা

**হাইলাকান্দিত কনিষ্টবলক গ্ৰেপ্তাৰ**

ই-সংবাদ, শিলচৰ, ১৫ নৱেম্বৰঃ অভিযানৰ সময়ত আৰক্ষীক আক্ৰমণৰ লক্ষ্য কৰি ৪ পৃষ্ঠাত চাওক

## ‘বহুত হুৱা মহংগাই কি মাৰ’ কোৱা বিজেপিয়ে শোধাইছে মাধমাৰ

# জনতা অতিষ্ঠ মূল্যবৃদ্ধিত, মন্ত্ৰী-বিধায়কৰ বৃদ্ধি পাব দৰমহা

■ হ্ৰাস পাইছে সাধাৰণ মানুহৰ ক্ৰয় ক্ষমতা

■ ১০ বছৰত মুদ্ৰাস্ফীতি ভয়াৱহ হাৰত বৃদ্ধি



ই-সংবাদ, ১৫ নৱেম্বৰঃ বহুত হুই মহংগাই কী মাৰ, অব কী বাৰ মোদী চৰকাৰ! ১০ বছৰ পূৰ্বে সমগ্ৰ দেশৰ চহৰে-নগৰে গুজৰাটৰ তেতিয়াৰ মুখ্যমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ফটোসহ বিশাল বিশাল হৰ্ডিংত এনেকৈয়ে লিখা হৈছিল। মোদী শেষাংশ ১৪ পৃষ্ঠাত

## পুনৰ ভোটগ্ৰহণ! নিৰ্বাচন আয়োগলৈ পত্ৰ প্ৰেৰণ ৰকিবুলৰ

ই-সংবাদ, ১৫ নৱেম্বৰঃ ১৩ নৱেম্বৰত অনুষ্ঠিত হৈ যোৱা ৰাজ্যৰ ৫টা বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ ভোটগ্ৰহণ চলি থকাৰ সময়ত চামগুৰি বিধানসভা সমষ্টিত ব্যাপক ৰিগিং, বুথ কব্জা কৰাৰ গুৰুতৰ অভিযোগ উত্থাপন হৈছে। শেষাংশ ৪ পৃষ্ঠাত

সৰ্বত্ৰে ধিক্কাৰ, বিতৰ্কিত অ'চি ভাৰ্গৱক নিলম্বনৰ নিৰ্দেশ ডিজিপিৰ

## বৰ্বৰতা! ব্যস্ত ফাঁচী বজাৰত জমেটোৰ ‘ডেলিভাৰী বয়’, কটনিয়ান জ্ঞানদ্বীপক প্ৰহাৰ আৰক্ষীৰ


ই-সংবাদ, ১৫ নৱেম্বৰঃ মুখ্যমন্ত্ৰী, আৰক্ষী সঞ্চালক প্ৰধানকো এতিয়া কেৰেপ নকৰা হৈ পৰিছে অসম আৰক্ষীৰ একাংশ বিষয়াই। সাধাৰণ জনতাৰ সৈতে শেষাংশ ৫ পৃষ্ঠাত

## ৰংজুলিত পথ দুৰ্ঘটনা, ৩ জন নিহত

ই-সংবাদ, ১৫ নৱেম্বৰঃ পুনৰ ৰাজ্যত সংঘটিত হৈছে পথ দুৰ্ঘটনা। এই সপ্তাহটোত কাছাৰৰ শিলচৰ -কালাইন পথত এটা পৰিয়াল আৰু তিনিচুকীয়াত বিহাৰৰ এটা পৰিয়াল নিঃশেষ শেষাংশ ৩ পৃষ্ঠাত

ধনৰ অপচয়! ক'লে গৌৰৱে

## গুৱাহাটীত নামিল ছী-প্লেন

ই-সংবাদ, ১৫ নৱেম্বৰঃ দেশৰ অসামৰিক বিমান পৰিবহণ মন্ত্ৰালয়ে মেছাৰ্ছ ডি হেভিলেণ্ড কানাডাৰ সহযোগত আজি গুৱাহাটীৰ পাণ্ডু ঘাটত সামুদ্ৰিক বিমানৰ শেষাংশ ৩ পৃষ্ঠাত

## নলবাৰীৰ ৰাস মহোৎসৱ আৰম্ভ

ই-সংবাদ, ১৫ নৱেম্বৰঃ আজিৰে পৰা আৰম্ভ হৈছে নামনি অসমৰ ঐতিহাসিক নলবাৰীৰ হৰি মন্দিৰৰ ৰাস মহোৎসৱ। বিগত প্ৰায় কেইবা সপ্তাহ ধৰি প্ৰস্তুতিৰ অন্তত শেষাংশ ৩ পৃষ্ঠাত



মাজুলীৰ ৰাসৰ মধুৰ মুহূৰ্ত, ফটোঃ ই-সংবাদ, মাজুলী

## যোৰহাটত আৰম্ভ ‘অসম গ্ৰন্থমেলা’

ই-সংবাদ, যোৰহাট, ১৫ নৱেম্বৰঃ উৎসাহ-উদ্দীপনাৰ মাজেৰে আজিৰে পৰা যোৰহাটত আৰম্ভ হ'ল দহদিনীয়া অসম গ্ৰন্থমেলা। যোৰহাট শেষাংশ ৬ পৃষ্ঠাত

## মাজুলীলৈ হাত বাউলি মাতিছে ৰাসে

পৰাণজ্যোতি বৰা, মাজুলী, ১৫ নৱেম্বৰঃ সত্ৰ দ্বীপ মাজুলীৰ আধ্যাত্মিক সুখানুভূতি জড়িত হৈ থকা শ্ৰী শ্ৰী কৃষ্ণৰ ৰাসলীলা আজিৰে পৰা মাজুলীৰ অধিকাংশ ৰংগমঞ্চত আৰম্ভ হৈছে। মাজুলীৰ ৬৫ টা ৰংগমঞ্চত আজি সন্ধিয়া বাজি উঠা ডবা, শংখৰ ধ্বনিৰ মাজেৰে আৰম্ভ হয় শ্ৰীশ্ৰী কৃষ্ণৰ সম্পূৰ্ণ ৰাসলীলা। ৰাসোৎসৱৰ জৰিয়তে ভগৱান শ্ৰীকৃষ্ণই মৰ্ত্যত কৰা কৰ্মৰাজিক প্ৰতিফলিত কৰা হয়। তেওঁৰ ৰসপূৰ্ণ অৰ্থাৎ তাত্বিক ৰসেৰে সমৃদ্ধ শেষাংশ ২ পৃষ্ঠাত

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# মাজুলীলৈ হাত বাউলি মাতিছে ৰাসে

কথাবস্তুক ৰাসলীলাৰ মাধ্যমেৰে আত্মাৰ পৰা পৰমাত্মালৈ, দৈনন্দিন জীৱনৰ সুখানুভূতিক আধ্যাত্মিকতালৈ আৰু কাম প্ৰবৃত্তিসমূহক কলাত্মক ৰূপ প্ৰদান কৰি ৰাসলীলাত অংকন কৰা হৈছে। আজিৰে পৰা তিনিৰ পৰা পাঁচদিনীয়াকৈ মাজুলীত আৰম্ভ হোৱা শাৰদীয় ৰাসোৎসৱক লৈ এতিয়া মাজুলীত ব্যাপক উৎসাহ-উদ্দীপনা পৰিলক্ষিত হৈছে। মোহন বাঁহীৰ সুৰত গকুল বৃন্দাবনলৈ পৰ্যবসিত হৈছে লুইতৰ পাৰৰ সত্ৰ দ্বীপ মাজুলী। আজি ৰাসোৎসৱৰ প্ৰথমদিনাই মাজুলীলৈ ৰাসলীলা উপভোগৰ বাবে ৰাজ্যৰ বিভিন্ন পৰ্যটকে ভিৰ কৰা পৰিলক্ষিত হৈছে। আজি প্ৰতিষ্ঠা কালৰ পৰম্পৰা অক্ষুণ্ণ ৰাখি মাজুলীৰ ঐতিহাসিক দক্ষিণপাট, আউনীআটী সত্ৰত ৰাস পূজাৰে আৰম্ভ হৈছে ৰাস মহোৎসৱ। আজিৰ পৰা ১৮৫ বছৰ ধৰি নিৰৱিচ্ছিনভাৱে দক্ষিণপাট সত্ৰত মহাপয়োভৱৰে শ্ৰীশ্ৰী কৃষ্ণৰ লীলাৰ যোগেদি ভক্তিপ্ৰাণ ৰাইজৰ দৃষ্টি আকৰ্ষণ কৰি আহিছে। সত্ৰখনৰ দশমগৰাকী সত্ৰাধিকাৰ প্ৰয়াত বাসুদেৱ গোস্মামীয়ে স্বপ্নাৱিষ্ট হৈ ৰচনা কৰা 'শ্ৰীকৃষ্ণৰ জন্মৰ পৰা অৰিষ্টাসুৰ বধ' পৰ্যন্ত ৰাস নাটকৰ লগতে ৰাস বিধি প্ৰণয়ন কৰি ১৮৪০খ্ৰীঃ ৰ পৰা প্ৰতিবছৰে তিনিদিনীয়াকে উলহ-মালহৰে ৰাস পূজাক উৎসৱ হিচাপে সত্ৰখনে পালন কৰি আহিছে। সত্ৰখনত ১৮৫ গছি বন্তি প্ৰজ্জ্বলনৰ যোগেদি এক আধ্যাত্মিক পৰিৱেশ বিৰাজ কৰিছে। আজি ঐতিহাসিক আউনীআটী সত্ৰত পালনাম মহোৎসৱৰ মাজতে সন্ধিয়ালৈ ৰাস পূজা কৰা হয়। গড়মূৰ সত্ৰতো পৰম্পৰাগত নীতি নিয়মেৰে আজি ৰাস পূজা কৰা হয়। সেই অনুসৰি দক্ষিণপাট, আউনীআটী, গড়মূৰ আদি বৰ সত্ৰসমূহত ৰাসপূজাৰ উপলক্ষে নামঘৰসমূহ আজি সজোৱা হয়। আজি দক্ষিণপাট সত্ৰত পুৱা ভগৱান বৃন্দাবনচন্দ্ৰক মণ্ডপলৈ উলিয়াই অনা হয়। আনহাতে, আউনীআটী, গড়মূৰ আদি সত্ৰসমূহত ৰাধাকৃষ্ণৰ যুগল মূৰ্তিকহে সন্ধিয়া উলিয়াই আনি পূজা অৰ্চনা কৰা হয়। উক্ত দিনা বৃন্দাবনচন্দ্ৰৰ পূজাৰ উপৰি শ্ৰীকৃষ্ণৰ অৰ্জুনভঞ্জন, শকতভঞ্জন, পুতলা শোষণ আদি নাটত সন্নিৱিষ্ট ভক্ত পৰিষদকো পূজা কৰা হয়। পুৱাৰে পৰা মহাপূজাৰ লগতে এই সত্ৰসমূহত গীতাপাঠ, গোপাল নাম আৰু পূজা চলি থকাৰ সময়তেই ৰাসাভিনয় আৰম্ভ হয়। আজি দক্ষিণপাট সত্ৰত অৰিষ্টাসুৰ বধ পৰ্যন্ত অভিনীত হয়। অন্যহাতে, এইবাৰ আউনীআটী সত্ৰৰ পালনামো ৰাসৰ সময়তে পৰাত এইবাৰ আউনীআটী সত্ৰত ১৬ নৱেম্বৰতহে মহাৰাসৰ আয়োজন কৰিছে। বেঙেনাআটী সত্ৰত আজি ৰাস উৎসৱৰ মূল তিথিৰ দিনা গোবিন্দ মূৰ্তিক স্নান কৰাই পূজা কৰায়। মাজুলীৰ উত্তৰ কমলাবাৰী সত্ৰয়ো ৩৫১ বছৰীয়া পৰম্পৰা অক্ষুন্ন ৰাখি আধ্যাত্মিকভাৱে ৰাস মহোৎসৱ উদযাপন কৰিছে। মহাপুৰুষ শংকৰদেৱৰ অমৰ সৃষ্টি কেলীগোপাল নাটৰ আধাৰত বজ্ৰাৱলী ভাষাৰে আজিৰ পৰা ১৭ নৱেম্বৰলৈকে তিনিদিনীয়াকৈ কমলাকান্ত আতা ক্ষেত্ৰত অনুষ্ঠিত হোৱা ৰাসোৎসৱৰ বাবে সত্ৰখনত উখল মাখল পৰিৱেশে বিৰাজ কৰিছে। উল্লেখ্য যে পঞ্চাশৰ দশকতেই গড়মূৰ সত্ৰৰ অধিকাৰ, মুক্তিযোদ্ধা পীতাম্বৰ দেৱ গোস্বামীয়ে মাতৃভাষাত ৰাসলীলাৰ নাটক ৰচনা কৰি শাৰদীয় পূৰ্ণিমাত বংশীগোপাল নাট্য মন্দিৰত সহ অভিনয়ৰে আধুনিক মঞ্চ ৰাসৰ শুভাৰম্ভ কৰিছিল। পীতাম্বৰদেৱে ৰচনা কৰা ৰাসলীলা নাটক ভাগত মহাপুৰুষে কীৰ্তনৰ ৰাসলীলা খণ্ডত থকাৰ দৰে ভক্তিমাৰ্গত আত্মসমৰ্পণ তথা দেহ অৰ্পণকেই ভক্তিৰ শেষ স্তৰ বুলি দেখুৱাই নিষ্কামভাৱে এই স্তৰত উপনীত হ'ব পাৰিলে ভক্তৰ ভগৱান প্ৰাপ্তি হয় বুলি প্ৰকাশ কৰি আধুনিক জগতৰ লগত খাপ খুৱাই সাহসেৰে সহ অভিনয়ৰ প্ৰচলন কৰি ৰাসলীলাৰ ভগৱৎ প্ৰাপ্তিৰ মহৎ আদৰ্শ দৰ্শকৰ আগত দাঙি ধৰি সেই দিশত সফল হৈ এক আলোড়ন সৃষ্টি কৰিবলৈ সক্ষম হৈছিল। ইফালে, গড়মূৰীয় সত্ৰাধিকাৰ পীতাম্বৰ গোস্বামীদেৱে আৰম্ভ কৰা মঞ্চ ৰাসৰ পৰম্পৰা লাহে লাহে আন ঠাইলৈও বিয়পিব ধৰিলে। পৰৱৰ্তী সময়ত মাজুলীৰ এটি অন্যতম সাংস্কৃতিক অনুষ্ঠান কমলাবাৰীস্থিত মাজুলী মিলন সংঘতো ইয়াৰ প্ৰভাৱ পৰিল আৰু মিলন সংঘয়ো মঞ্চ ৰাসৰ আৰম্ভ কৰে। ইয়াৰ পৰৱৰ্তী সময়ত ১৯৬১ চনৰ পৰা পূব মাজুলীৰ বনগাঁও ৰংঘৰত একে আৰ্হিত ৰাসলীলা অনুষ্ঠিত কৰিবলৈ লয়। অৱশ্যে সত্ৰানুষ্ঠানৰ ভিতৰত মাজুলীৰ শ্ৰী শ্ৰী নতুন কমলাবাৰী সত্ৰৰ জগতগুৰু শ্ৰীমন্ত শংকৰদেৱ কলা-কৃষ্টি সংঘ ১৯৬৬ চনতে প্ৰতিষ্ঠিত মাজুলীৰ সত্ৰানুষ্ঠানৰ দ্বিতীয় ৰংগ মঞ্চ য'ত তেতিয়াৰ পৰা বৰ্তমান পৰ্যন্ত ৰাসলীলা অনুষ্ঠিত কৰি আহিছে। অসমত গুৰুজনাই কেলিগোপাল নাট প্ৰদৰ্শনৰ পৰৱৰ্তী সময়ত মাজুলীৰ সত্ৰসমূহে নিজৰ নিজৰ সত্ৰত শ্ৰীকৃষ্ণৰ ৰাসলীলা প্ৰদৰ্শনৰ পৰম্পৰা আৰম্ভ কৰে। ১৮৪০ চনৰ পৰা দক্ষিণপাট সত্ৰত ৰাসলীলা বা মহোৎসৱ প্ৰতিবছৰে তিনিদিনীয়াকৈ পালন কৰাৰ পৰম্পৰা অবিৰতভাৱে বৰ্তমানেও চলি আহিছে। দক্ষিণপাট সত্ৰৰ ত্ৰয়োদশ সত্ৰাধিকাৰ বৈকুণ্ঠগামী বাসুদেৱ গোস্বামীয়ে ৰাসলীলাৰ এখনি নাটক ৰচনা কৰে আৰু ৰাসপূজাৰ লগতে এই নাটকখনি অভিনয়ৰ পৰম্পৰা আৰম্ভ কৰে। গড়মূৰ সত্ৰত মঞ্চাভিনয়ৰ যোগেদি ৰাসোৎসৱ উদযাপনৰ পিছৰে পৰা ক্ৰমে পৰৱৰ্তী কালত মাজুলীৰ বিভিন্ন ঠাইত মঞ্চ ৰাস অনুষ্ঠিত হ'বলৈ ধৰে। গুৰুজনাৰ কেলিগোপাল নাটৰ পৰা আৰম্ভ হৈ বৰ্তমান শ্ৰীকৃষ্ণৰ সম্পূৰ্ণ ৰাসলীলাৰ যি মাতৃভাষা নাটৰ সৃষ্টি হ'ল এই নাটে ব্যাপক জনপ্ৰিয়তা অৰ্জন কৰিলে। লাহে লাহে মাজুলীৰ অৰ্ধশতাধিক ৰাস মঞ্চত ৰাসলীলা উদযাপনৰ পৰম্পৰা আৰম্ভ হ'ল। এইবাৰ মাজুলীৰ ৬৫ টা ৰংগমঞ্চত আজিৰে পৰা তিনিৰ পৰা চাৰিটা দিন পৰ্যন্ত ৰাসলীলা আৰম্ভ হৈছে। মুঠতে এতিয়া শাৰদীয় প্ৰধান উৎসৱ ৰাসলীলাক লৈ নদীদ্বীপ মাজুলীয়ে ন-ৰূপত প্ৰাণ পাই উঠিছে। অৱশ্যে উজনি মাজুলীৰ একাংশ ৰংগমঞ্চত কালিৰে পৰাই ৰাসলীলা আৰম্ভ হৈছে। ইফালে, এইবাৰ মাজুলীৰ ৰাসোৎসৱত তিনি স্থানত মিছিং জনগোষ্ঠীয় লোকে মিছিং ভাষাত ৰাসলীলা অনুষ্ঠিত কৰাই মাজুলীৰ ৰাসোৎসৱক অধিক বৰ্ণিল কৰি তুলিছে। সেই অনুসৰি উজনি মাজুলী সাংস্কৃতিক ঐক্য মঞ্চই কালি ২ নং কুঁহিয়াৰবাৰী গাঁৱত ৰাসলীলাৰ প্ৰথম ৰজনীত মিছিং জনগোষ্ঠীৰ লোকৰ দ্বাৰা মিছিং ৰাসলীলা অনুষ্ঠিত কৰে। ইয়াৰ উপৰি উজনি মাজুলী মিলন সংঘ আৰু জন্মোদচুক শ্ৰী শ্ৰী কৃষ্ণ ৰাস মঞ্চতো মিছিং জনগোষ্ঠীৰ লোকে মিছিং ভাষাত ৰাসলীলাৰ মঞ্চস্থ কৰে। আনহাতে, এইবাৰ উজনি মাজুলী সাংস্কৃতিক ঐক্য মঞ্চই আজি ৰাসোৎসৱৰ দ্বিতীয় ৰজনীত মহিলা ৰাস অনুষ্ঠিত কৰে। ইয়াৰ উপৰি শ্ৰীৰাম বনমালী, ৰতনপুৰ লাহন শ্ৰীমন্ত কৃষ্টি সংঘতো মহিলা ৰাস অনুষ্ঠিত হয়। মাজুলীৰ ৰাসৰ এইবাৰ অন্যতম আকৰ্ষণ হিচাপে কালি উজনি মাজুলী মিলন সংঘত শিশু ৰাস অনুষ্ঠিত হোৱাৰ লগতে কাইলৈ ভকতিদুৱাৰ আঞ্চলিক জ্যোতি ৰংঘৰ আৰু মূদৈবিল মিলনজ্যোতি ৰংগ মঞ্চত শিশু ৰাসৰ আয়োজন কৰিছে। মাজুলী জিলা প্ৰশাসনৰ প্ৰচেষ্টাত, মাজুলীৰ বিধায়ক ভুবন গামৰ সহযোগত এইবাৰ মাজুলীৰ চৌদিশে ডেৰলাখ মাটিৰ চাকিৰে উজলাই আজি এক আধ্যাত্মিক পৰিৱেশৰ সূচনা কৰা দৃষ্টিনন্দন পৰিৱেশে সকলোকে আকৰ্ষণ কৰিছে। কাইলৈ মাজুলী জিলাত প্ৰশাসনে স্থানীয় বন্ধ ঘোষণা কৰিছে। দৰ্শনাৰ্থীৰ সুবিধা হোৱাকৈ নিমাতি ঘাটৰ পৰা অফলামুখ আৰু দক্ষিণপাট ঘাটেৰে প্ৰতি আধাঘণ্টাৰ মূৰে মূৰে চলাচল কৰা জাহাজ, ৰ'পেক্স আৰু মেৰাইন ইঞ্জিনৰ ব্যক্তিগত ফেৰীত ৰাসলীলাৰ উপভোগৰ বাবে অহা দৰ্শনাৰ্থীয়ে অভাৱনীয় ভিৰ কৰা পৰিলক্ষিত হৈছে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
UniqueBorah.Com
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
88764 90887
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •

প্ৰথম পৃষ্ঠাৰ পৰা...

# গুৱাহাটীত নামিল ছী-প্লেন

প্ৰদৰ্শনীমূলক তথা পৰীক্ষামূলক উৰণ সম্পন্ন কৰে। অসমৰ পৰ্যটন খণ্ডৰ সমৃদ্ধিৰ বাবে সামুদ্ৰিক বিমান যাত্ৰাৰ সম্ভাৱনীয়তাক লৈ চৰকাৰে দেখুওৱা তৎপৰতা আজি স্পষ্ট হৈ পৰে। বিজেপিৰ নেতা-মন্ত্ৰীসকলে সামাজিক মাধ্যমত সামুদ্ৰিক বিমানৰ প্ৰদৰ্শনীক ব্যাপক হাৰত প্ৰচাৰ কৰা দেখা যায়। ৰাজ্যিক পৰ্যটন বিভাগৰ মন্ত্ৰী জয়ন্তমল্ল বৰুৱাৰ উপস্থিতিত পাণ্ডু ঘাটত সামুদ্ৰিক বিমানৰ প্ৰদৰ্শনী কৰা হয়। খোদ মন্ত্ৰী জয়ন্তমল্ল বৰুৱাই গুৱাহাটী বিমান বিমানবন্দৰৰ পৰা চিপ্লেনত উঠি আহি পৰীক্ষণ প্ৰত্যক্ষ কৰে। বিমান বিমানবন্দৰৰ পৰা উৰা মাৰি সামুদ্ৰিক বিমানখনে গুৱাহাটীৰ পাণ্ডুঘাটত অৱতৰণ কৰে। মন্ত্ৰী বৰুৱাই আজিৰ দিনটো অসমৰ বাবে এটা বিশেষ দিন বুলি অভিহিত কৰে। অসমত প্ৰথমবাৰ চি-প্লেন নামিছে। এয়া আমাৰ বাবে আনন্দৰ দিন। পৰীক্ষামূলকভাৱে ছী-প্লেন বৰঝাৰ বিমানবন্দৰৰ পৰা পাণ্ডু ঘাটলৈ আনি অৱতৰণ কৰা হৈছে আৰু শীঘ্ৰে অপাৰেচনেল পৰ্যায়লৈ আনিব পৰা যায়। পৰ্যটন মন্ত্ৰীগৰাকীয়ে অসমত প্ৰথমবাৰ নদীত ছী-প্লেন অৱতৰণ কৰা বুলি দাবী কৰি কয় যে সাগৰত আগতেও নামিছে, কিন্তু প্ৰথমবাৰৰ বাবে অসমত নদীত নামিছে। এয়া অসমৰ যোগাযোগ ব্যৱস্থা আৰু পৰ্যটন ক্ষেত্ৰত ডাঙৰ সংযোজন। কাজিৰঙা, উমৰাংচু, মাজুলী, ডিব্ৰুগড়ত যদি ছী-প্লেন চলাব পৰা যায় তেন্তে অসমৰ যাতায়ত ব্যৱস্থা তথা পৰ্যটন ক্ষেত্ৰ আগবাঢ়ি যাব বুলিও কয় মন্ত্ৰীগৰাকীয়ে। ইফালে, ছী-প্লেনৰ প্ৰদৰ্শনীক তীব্ৰ সমালোচনা কৰিছে যোৰহাটৰ সাংসদ তথা কংগ্ৰেছ নেতা গৌৰৱ গগৈয়ে। সাংসদ গৌৰৱ গগৈয়ে অসম আৰু মেঘালয়ৰ সাগৰীয় বিমান সংযোগৰ প্ৰস্তাৱক তীব্ৰ সমালোচনা কৰি অপ্ৰয়োজনীয় আৰু বিপথগামী পদক্ষেপ বুলি অভিহিত কৰিছে। চৰকাৰে এইবোৰ কৰি 'ঘোঁৰাৰ ঘাঁহ কটা' অৰ্থাৎ কামত নহা কাম কৰি অবাবত সময় নষ্ট কৰা বুলি মন্তব্য কৰি গগৈয়ে কয় যে যোৰহাট আৰু তেজপুৰৰ দৰে অঞ্চলত বিমান আৰু ৰে'ল সংযোগৰ গুৰুত্বক আৰু প্ৰয়োজনীয়তাক উপেক্ষা কৰি ছী-প্লেনক লৈ অতি উৎসাহী হৈ পৰাটো হাস্যকৰ। প্ৰথমে প্ৰয়োজনীয় আৰু মূল সমস্যাবোৰ সমাধান কৰাৰ অধিক প্ৰয়োজন। গুৰুত্বপূৰ্ণ চহৰসমূহত বিমান আৰু ৰে'ল নেটৱৰ্ক অনুন্নত হৈ আছে। নাগৰিকসকলে ভ্ৰমণত দৈনিক প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে। কিন্তু সেইবোৰ ঠিক নকৰি ছী-প্লেন চলাই বাঃ বাঃ ল'ব খোজা কাৰ্য ৰাজহুৱা পুঁজিৰ অপচয়ৰ বাদে আন একো নহয়। অধিক জৰুৰী আন্তঃগাঁথনিৰ প্ৰয়োজনীয়তাক গুৰুত্ব দি সমাধান কৰিবলৈ পুঁজি ভালদৰে ব্যয় কৰা হওক বুলিও কয় গগৈয়ে। গুজৰাটৰ বিফল ছী-প্লেন সেৱাৰ আৰ্হিৰ কথা উল্লেখ কৰি গগৈয়ে আৰু কয় যে ২০২০ চনত গুজৰাটৰ এনে এক বহুচৰ্চিত প্ৰকল্পত আনুমানিক ১৩ কোটি টকা ব্যয় কৰা হৈছিল। অৱশেষত আৰম্ভণিৰ আগতে আঁচনি পৰিহাৰ কৰা হয়। এনে ধৰণৰ বিফলতাৰ পৰা শিকিব লাগে আৰু নিৰ্ভৰযোগ্য পৰিবহন ব্যৱস্থা গঢ়ি তোলাৰ ওপৰত গুৰুত্ব দিব লাগে। যিয়ে জনসাধাৰণক দীৰ্ঘম্যাদী লাভালাভ প্ৰদান কৰিব। চৰকাৰক সমালোচনা কৰি সাগৰীয় বিমানৰ দৰে আকৰ্ষণীয় কামত জঁপিয়াই পৰাৰ পূৰ্বে অসমৰ বহু ঠাইত এতিয়াও অভাৱ থকা মৌলিক পৰিবহন আন্তঃগাঁথনিৰ মোকাবিলা কৰাটো অতি প্ৰয়োজনীয় বুলিও কয় যোৰহাটৰ সাংসদগৰাকীয়ে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# নলবাৰীৰ ৰাস মহোৎসৱ আৰম্ভ

আজি নলবাৰী হৰিমন্দিৰৰ ৰাস মহোসৱৰ কাৰ্যসূচী আৰম্ভ হয়। ৰামায়ণ ধাৰাবাহিকত ৰামৰ চৰিত্ৰত অভিনয় কৰা অৰুণ গভিলৰ উপস্থিতিত নলবাৰীৰ ৰাস আজি মুকলি কৰা হয়। ৰামৰ চৰিত্ৰত অভিনয় কৰা অৰুণ গভিল আৰু সীতাৰ চৰিত্ৰত অভিনয় কৰা দীপিকা চিখলিয়া আজি গুৱাহাটী বিমান বন্দৰত উপস্থিত হোৱাৰ পাছতে ৰাস উদযাপন সমিতিয়ে আদৰণি জনায়। বিশেষ বাহনেৰে গুৱাহাটীৰ পৰা নলবাৰী ৰাসলৈ আদৰি নিয়ে। জনপ্ৰিয় ধাৰাবাহিক ৰামায়ণৰ ৰামৰ চৰিত্ৰত অভিনয় কৰা জনপ্ৰিয় অভিনেতা অৰুণ গোভিল আৰু দীপিকা চিখলিয়াক নলবাৰী পৰিদৰ্শন বঙলাৰ পৰা হৰি মন্দিৰলৈ বৰ্ণিল সাংস্কৃতিক শোভাযাত্ৰা আদৰি নিয়া হয়। ৯১ সংখ্যক নলবাৰী ৰাস মহোৎসৱ ১৫ নৱেম্বৰৰ পৰা ২৮ নৱেম্বৰলৈকে ১৪ দিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত হ'ব। এইবাৰো নলবাৰী হৰিমন্দিৰৰ ৰাস মহোৎসৱত ১০খনকৈ ভ্ৰাম্যমাণ থিয়েটাৰে প্ৰদৰ্শন কৰিব নাট। বৰদৈচিলা থিয়েটাৰে ২১ আৰু ২২ নৱেম্বৰ, কলাগুৰু থিয়েটাৰে ২১-২৩ নৱেম্বৰ, ৰাজতিলক থিয়েটাৰ ২২-২৬ নৱেম্বৰ, ইতিহাস থিয়েটাৰ ২৩-২৭ নৱেম্বৰ, ৰাজমুকুট থিয়েটাৰ ২৩-২৭ নৱেম্বৰ, বৃন্দাবন থিয়েটাৰ ২৩-২৬ নৱেম্বৰ, ৰাজলক্ষ্মী থিয়েটাৰ ২৩-২৬ নৱেম্বৰ, থিয়েটাৰ সূৰ্য ২৪-২৭ নৱেম্বৰ, ৰাজধানী থিয়েটাৰ ২৪-২৭ নৱেম্বৰ আৰু হেঙুল থিয়েটাৰ ২৫-২৭ নৱেম্বৰ নাট মঞ্চস্থ কৰিব। এইবাৰৰ ৰাসত গ্ৰন্থমেলা, বাণিজ্য মেলা, শ্ৰীকৃষ্ণৰ নৌকা বিহাৰ, আইফেল টাৱাৰ, ইণ্ডিয়া গেট আদি হৈছে মুখ্য আকৰ্ষণ।

প্ৰথম পৃষ্ঠাৰ পৰা...

# ৰংজুলিত পথ দুৰ্ঘটনা, ৩ জন নিহত

হৈ যোৱাৰ পাছতে আজি নামনি অসমৰ গোৱালপাৰাত পথ দুৰ্ঘটনাত পতিত হয় এটা পৰিয়াল। এই ভয়ংকৰ দুৰ্ঘটনাটোত মাতৃ-পুত্ৰসহ তিনিগৰাকী লোকে থিতাতে প্ৰাণ হেৰুৱায়। প্ৰাপ্ত বাতৰি অনুযায়ী, শুকুৰবাৰে গোৱালপাৰা জিলাৰ ৰংজুলিত ১৭নং ৰাষ্ট্ৰীয় ঘাইপথত একেটা পৰিয়ালৰ তিনিগৰাকী লোক চাৰিচকীয়া বাহনত গৈ থকাৰ সময়তে এখন বাছে খুন্দা মৰাত চাৰিচকীয়া বাহনৰ ভিতৰত থকা মিনা ৰাভা ৰয় (৪৫), মঞ্জু ৰয় (৫৫) আৰু ক্ৰিটো ৰয়ে (১৪) মৃত্যুক আকোৱালি লয়। ঘটনাটোত কেবাগৰাকী লোক আহত হৈছে। কেইবাজনো আহতক ৰংজুলি চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছে। তীব্ৰবেগী বাছখনে চাৰিচকীয়া বাহনখনক খুন্দা মৰাৰ অভিযোগ উঠিছে। নিহত মিনা ৰাভা ৰায় আৰু ক্ৰিটো ৰায় মাতৃ পুত্ৰ বুলি জানিব পৰা গৈছে। মাতৃ-পুত্ৰৰ ঘৰ গোৱালপাৰা জিলাৰ দুধনৈৰ পদুম পুখুৰীত। নিহত মঞ্জু ৰায়ৰ ঘৰ দুধনৈৰ ঠেকাচু গাঁৱত বুলি জানিব পৰা গৈছে। মীনা ৰাভা দৰংগিৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষয়িত্ৰী আছিল। তিনিওজনৰ মৃতদেহ উদ্ধাৰ কৰি গোৱালপাৰা অসামৰিক চিকিৎসালয়ত মৰণোত্তৰ পৰীক্ষা কৰা হয়। এএছ-২৫-এফচি-৩৫১৪ নম্বৰৰ বাছখন দুধনৈৰ পৰা গুৱাহাটী অভিমুখে আৰু এএছ-০১-ডিএল-৭৭৯৯ নম্বৰৰ ব্যক্তিগত বাহনখনে গুৱাহাটীৰ পৰা গোৱালপাৰা অভিমুখে গৈ আছিল। সেই সময়তে দোসীমাপাৰা নামৰ ঠাইত দুয়োখন বাহনৰ মাজত মুখামুখি সংঘৰ্ষ লাগে। কৰুণ পথ দুৰ্ঘটনাত মাতৃ-পুত্ৰৰ লগতে সম্পৰ্কীয় মহিলাগৰাকীৰ মৃত্যুত সমগ্ৰ ৰংজুলি এলেকাত শোকৰ ছাঁ পৰিছে। উল্লেখ্য যে, কেবাটাও পথ দুৰ্ঘটনাৰে এই সপ্তাহটো কালিকালগা সপ্তাহত পৰিণত হৈ পৰে। ১১ নৱেম্বৰত অসম কাছাৰ জিলাৰ এছইউভি আৰু অটোৰিক্সাৰ মাজত মুখামুখি সংঘৰ্ষত পাঁচজন লোকৰ মৃত্যু হয়। ৰাণীঘাট অঞ্চলত সংঘটিত পথ দুৰ্ঘটনাত মৃত পাঁচজনৰ ভিতৰত চাৰিজন একেটা পৰিয়ালৰ আছিল। জাকিৰ উদ্দিন (৫০), পত্নী ৰেজিয়া বেগম (৪৬) পুত্ৰ দিলোৱাৰ হুছেইন (২৮) কন্যা ৰেহানা বেগম (২৩) আৰু একেই চুবুৰীৰ তাহিৰুদ্দিনৰ মৃত্যু হৈছিল। আনহাতে, ১২ নৱেম্বৰত তিনিচুকীয়া-ডিব্ৰুগড় বাইপাছৰ নিৰ্মীয়মান কলভাৰ্টৰ গাত মাৰুতি ছুইফট এখন পৰি শিশুসহ ৪ জন লোক থিতাতে নিহত হৈছিল। বিয়াখাবলৈ বিহাৰৰ কাটিহাৰ জিলাৰ পৰা তিনিচুকীয়াৰ বৰডুবিলৈ অহা ৪ জনীয়া পৰিয়ালটোৱে ৰাজধানী এক্সপ্ৰেছযোগে ডিব্ৰুগড়ৰ বাণীপুৰ ষ্টেচনত নামি মাৰুতি ছুইফট এখনত বৰডুবিলৈ যাত্ৰা কৰিছিল। ঘন কুঁৱলীৰ বাবে নিয়ন্ত্ৰণ হেৰুৱাই বাইপাছৰ নিৰ্মীয়মান দলঙত খুন্দা মাৰি দ-গাঁতত বাহনখন সোমাই চালক বৰডুবিৰ মণ্টু শ্বাহ (৩০), মোহন শ্বাহ (৫১), বিহাৰৰ ৰাজেশ গুপ্তা (৩০) এগৰাকী ৭ বছৰীয়া শিশু এটি নিহত হৈছিল। সোমবাৰৰ পৰা এই সপ্তাহটোত তিনিটা পৰিয়াল পথ দুৰ্ঘটনাত হেৰাই যায়।

প্ৰথম পৃষ্ঠাৰ পৰা...

# পুনৰ ভোটগ্ৰহণ! নিৰ্বাচন আয়োগলৈ

এদিন পূৰ্বে চামগুৰি সমষ্টিৰ কংগ্ৰেছ প্ৰাৰ্থী তাঞ্জিল হুছেইনে চামগুৰি বিধানসভা সমষ্টিত ব্যাপক হাৰত ৰিগিং আৰু বুথ কেপচাৰিং হোৱাৰ অভিযোগ উত্থাপন কৰি বিধানসভা সমষ্টিৰ ৰিটাৰ্ণিং বিষয়াক অভিযোগ দাখিল কৰি ৩৩টা ভোটকেন্দ্ৰত পুনৰ ভোটগ্ৰহণৰ দাবী উত্থাপন কৰিছিল। তাৰ পিছতে আজি তাঞ্জিল হুছেইনৰ পিতৃ তথা ধুবুৰীৰ সাংসদ ৰকিবুল হুছেইনে দেশৰ মুখ্য নিৰ্বাচনী আয়ুক্তলৈ জৰুৰী স্মাৰকপত্ৰ প্ৰদান কৰি উপ-নিৰ্বাচনত চামগুৰি সমষ্টিত ব্যাপক হাৰত বুথ কেপচাৰিং হোৱাৰ লগতে ৰিগিং হোৱাৰ অভিযোগ তুলি উক্ত কেন্দ্ৰকেইটাত পুনৰ ভোটগ্ৰহণৰ দাবী জনাইছে। সাংসদ ৰকিবুল হুছেইনে দেশৰ মুখ্য নিৰ্বাচনী আয়ুক্তলৈ প্ৰত্ৰ প্ৰেৰণ কৰি শীঘ্ৰে তদন্ত কৰিবলৈ সজোৰে আহ্বান জনাইছে। ৰকিবুল হুছেইনে দেশৰ মুখ্য নিৰ্বাচনী আয়ুক্তক পত্ৰ প্ৰদান কৰি কয় যে ১৩ নৱেম্বৰৰ ভোটগ্ৰহণৰ দিনটোত চামগুৰি সমষ্টিত ব্যাপক হাৰত ৰিগিং আৰু বুথ কেপচাৰিং কৰা হৈছিল। মুখ্যত ৩, ৪, ৫, ৬, ১৯৩, ১৯৪, ১৯৫, ১৯৬ বুথত ভোট কেপচাৰিং কৰা হৈছিল। ৰিগিং আৰু বুথ কেপচাৰিঙ বহু তথ্য আছে বুলি উল্লেখ কৰি তেনে তথ্যসমূহো পত্ৰৰ সৈতে সংলগ্ন কৰে। তাৎক্ষণিকভাৱে কংগ্ৰেছ প্ৰাৰ্থীৰ নিৰ্বাচনী এজেণ্টে চামগুৰি বিধানসভা সমষ্টিৰ ৰিটাৰ্ণিং বিষয়ালৈ চিঠি লিখিছিল আৰু ১৪ নৱেম্বৰত প্ৰাৰ্থী তাঞ্জিল হুছেইনেও ৰিটাৰ্ণিং বিষয়াক বিতং তথ্য দিয়া বুলি উল্লেখ কৰি ৰকিবুল হুছেইনে কয় যে ৰিটাৰ্ণিং বিষয়াজনক বিভিন্ন ভোটকেন্দ্ৰৰ ৰিগিং আৰু বুথ কেপচাৰিঙৰ উদাহৰণ দিয়া হৈছে। ধুবুৰীৰ সাংসদগৰাকীয়ে প্ৰাৰ্থীৰ এজেণ্টসকলক ভোটকেন্দ্ৰ আৰু ষ্টেচনৰ পৰা বলপূৰ্বক আঁতৰোৱা হৈছিল বুলি গুৰুতৰ অভিযোগ উত্থাপন কৰে। বঢ়মপুৰৰ বিজেপিৰ বিধায়ক জিতু গোস্বামী আৰু নগাঁও সদৰ বিধানসভা সমষ্টিৰ বিধায়ক ৰূপক শৰ্মাই ভোটাৰসকলক তেওঁলোকৰ পক্ষত ভোট দিবলৈ ভয় খুৱাইছিল বুলিও কয় সাংসদ হুছেইনে। চামগুৰিৰ বিজেপিৰ প্ৰাৰ্থী দিপ্লুৰঞ্জন শৰ্মাৰ নাম উল্লেখ কৰি হুছেইনে পত্ৰত কয় যে দিপ্লুৰঞ্জন শৰ্মাৰ সমৰ্থকসকলে বুথ দখল কৰাৰ লগতে আৰু ভোটাৰসকলক ভয়-ভাবুকি দিয়ে। বিজেপিয়ে হিংসাৰ আশ্ৰয় লৈ কংগ্ৰেছ প্ৰাৰ্থীৰ নিৰ্বাচনী এজেণ্টক ভোট কেন্দ্ৰৰ পৰা বলপূৰ্বক আঁতৰাই বুথবোৰ দখল কৰিছিল। ৰিটাৰ্ণিং বিষয়া, আৰক্ষীয়ে বিজেপি প্ৰাৰ্থীৰ পক্ষ লৈ ভোটগ্ৰহণৰ দিনটোত বুথৰ পৰা কংগ্ৰেছৰ এজেণ্টক আতৰাইছিল আৰু কংগ্ৰেছ কৰ্মীসকলক অবৈধভাৱে গ্ৰেপ্তাৰ কৰিছিল। চামগুৰি বিধানসভা সমষ্টিত নিৰ্বাচনী আচৰণৰ নিয়মৰ উলংঘন কৰা হৈছে যাৰ বাবে আইন মতে, ব্যৱস্থা গ্ৰহণ কৰা হওক বুলি কয় হুছেইনে। কোনো ৰাজনৈতিক দল, প্ৰাৰ্থী বা নেতাই ভোটাৰক ভোটাৰক ভয় দেখুৱাই প্ৰভাৱিত কৰা কাৰ্যকলাপক আদৰ্শ আচৰণ বিধিৰ অধীনৰ দুৰ্নীতিপূৰ্ণ আচৰণ বুলি গণ্য কৰা হয়। এনে কাৰ্য ধাৰা ১২৩ অনুসৰি জনপ্ৰতিনিধিত্ব আইন, ১৯৫১ৰ বিধানৰ অধীনত নিষিদ্ধ কৰা হৈছে। লগতে হুছেইনে পত্ৰযোগে কয় নাগৰিকে নিজ পচন্দৰ প্ৰাৰ্থী বা ৰাজনৈতিক দলৰ সপক্ষে ভোটদান কৰাতো এক সাংবিধানিক অধিকাৰ। সেয়া আধুনিক সময়ৰ গণতন্ত্ৰৰ আধাৰশিলা। কিন্তু নিৰপেক্ষ নিৰ্বাচনৰ নামত চামগুৰিত যি হৈছে তাত নিৰ্বাচনী আয়ুক্তৰ হস্তক্ষেপৰ দৰকাৰ বুলি উল্লেখ কৰি উক্ত অভিযোগক গুৰুত্বসহকাৰে লোৱাৰ দাবী তোলে সাংসদগৰাকীয়ে। নিৰ্বাচনী প্ৰক্ৰিয়াত সততা বিপন্ন হোৱা বুলি বিবেচনা কৰিবলৈ কৈ নিৰ্বাচন আয়োগৰ ৰাজ্যিক নেতৃত্বক জাবাবদিহি কৰি বুথ দখল কাণ্ডৰ তাৎক্ষণিক তদন্ত কৰাৰো দাবী জনাইছে ৰকিবুল হুছেইনে। নিৰ্বাচনী নিয়ম উলংঘা কৰা বিজেপিৰ প্ৰাৰ্থী, বিজেপিৰ বিধায়ক, আৰক্ষী বাহিনীৰ কিছু লোকৰ বিৰুদ্ধে তদন্ত কৰা, ৰিগিং হোৱা ভোটকেন্দ্ৰসমূহত পুনৰ ভোটগ্ৰহণ অনুষ্ঠিত কৰিবলৈকো এই স্মাৰকপত্ৰযোগে দাবী জনাইছে সাংসদ ৰকিবুল হুছেইনে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# হাইলাকান্দিত কনিষ্টবলক গ্ৰেপ্তাৰ

লোৱাৰ অভিযোগত এজন আবকাৰী কনিষ্টবলক গ্ৰেপ্তাৰৰ ঘটনাই তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে বৰাকৰ হাইলাকান্দি জিলাত। হাইলাকান্দি জিলাৰ আবকাৰী কনিষ্টবল অজয় নুনিয়াক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছে। দীপাৱলীৰ নিশা হাইলাকান্দিৰ কয়া চাহ বাগিচা এলেকাত একাংশ উগ্ৰ লোকে আৰক্ষী জোৱানক আক্ৰমণ কৰিছিল। আৰক্ষীয়ে জুৱাৰ ঘাটিত অভিযান চলোৱাৰ সময়তে এদল লোকে আৰক্ষীক আক্ৰমণ লক্ষ্য কৰি লৈছিল। ঘটনাটোত ৭ আৰক্ষী গুৰুতৰভাৱে আহত হৈছিল। এই ঘটনাৰ তদন্তৰ অন্তত ওলাই পৰিছে ভয়ংকৰ তথ্য। এই আক্ৰমণৰ নেতৃত্ব দিছিল খোদ আবকাৰী বিভাগৰ কনিষ্টবল হিচাপে কৰ্মৰত অজয় নুনিয়াই। যাৰ বাবে গ্ৰেপ্তাৰ কৰা হৈছে অজয় নুনিয়াক। ঘটনাৰ সৈতে জড়িত দুধনাথ কলৱাৰ আৰু মতিলাল দুসাদ নামৰ আন দুজন লোককো গ্ৰেপ্তাৰ কৰা হৈছে।

# ১৮ নৱেম্বৰৰ পৰা মৰিগাঁৱৰ নগৰাঞ্চলত চলিব চিটীবাছ!

**ই-সংবাদ, মৰিগাঁও, ১৫ নবেম্বৰঃ** মৰিগাঁও চহৰৰ মাজমজিয়াৰ পৰা যান-বাহনৰ আস্থান সমূহ আঁতৰাই নিয়াক কেন্দ্ৰ কৰি ক্ৰিয়া-প্ৰতিক্ৰিয়া অব্যাহত থকাৰ সময়তে চহৰখনত চিটি-বাছ সেৱা আৰম্ভ হ'ব বুলি আজি জিলা আয়ুক্তই প্ৰকাশ কৰিছে। জিলা আয়ুক্ত দেৱাশীষ শৰ্মাই এই সন্দৰ্ভত প্ৰকাশ কৰা উক্ত জাননীত উল্লেখ কৰিছে যে, জিলা প্ৰশাসন আৰু মৰিগাওঁ পৌৰসভাৰ উদ্যোগত বিদ্যাৰ্থীসকলৰ সুবিধাৰ্থে মৰিগাওঁ নগৰৰ ভিতৰত অহা ১৮ নৱেম্বৰৰ পৰা ১০ টকীয়া খৰছত চিটিবাছ সেৱা প্ৰবৰ্তন কৰা হ'ব।

# দীপাংকৰ বুঢ়াগোহাঁইক তিনিচুকীয়া জিলা ছাত্ৰ সন্থাৰ ভাৰপ্ৰাপ্ত সভাপতিৰ দায়িত্ব

**ই-সংবাদ, ডুমডুমা, ১৫ নৱেম্বৰঃ** দীপাংকৰ বুঢ়াগোহাঁইক তিনিচুকীয়া জিলা ছাত্ৰ সন্থাৰ ভাৰপ্ৰাপ্ত সভাপতিৰ দায়িত্ব অৰ্পণ কৰা হয়। উল্লেখ্য যে, সত্যজিৎ বৰগোহাঁইক এবছৰৰ বাবে সভাপতি পদৰ পৰা অব্যাহতি দিয়াৰ পাছৰে পৰাই সভাপতিহীন হৈ পৰা তিনিচুকীয়া জিলা ছাত্ৰ সন্থাৰ ভাৰপ্ৰাপ্ত সভাপতি পদৰ বাবে চৰ্চাত আছিল মাৰ্ঘেৰিটা আঞ্চলিকৰ দীপাংকৰ বুঢ়াগোহাঁই, ডুমডুমাৰ উত্তম বৰুৱা, ডিগবৈৰ টংকেশ্বৰ শইকীয়া আৰু ডাঙৰীৰ পোহেশ্বৰ সোণোৱালৰ নাম। আজি তিনিচুকীয়া মহাবিদ্যালয়ত অনুষ্ঠিত এখন গুৰুত্বপূৰ্ণ কাৰ্যনিৰ্বাহক সভাত উক্ত চাৰিজনৰ মাজৰে দীপাংকৰ বুঢ়াগোহাঁইক জিলাৰ ভাৰপ্ৰাপ্ত সভাপতিৰ দায়িত্ব অৰ্পণ কৰে কাৰ্যনিৰ্বাহক সভাই। ভাৰপ্ৰাপ্ত সভাপতিৰ দায়িত্ব লাভ কৰি দীপাংকৰ বুঢ়াগোহাঁইয়ে সদৌ অসম ছাত্ৰ সন্থাৰ মুখ্য উপদেষ্টা ড° সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্য, সভাপতি উৎপল শৰ্মা, ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদক চৰ্জুন হাঞ্চেৰ লগতে আজি কাৰ্য্যনিৰ্বাহক সভাত উপস্থিত থকা পৰ্যবেক্ষকসকলক কৃতজ্ঞতা জ্ঞাপন কৰে। আজিৰ সভাত পৰ্যবেক্ষক হিচাপে সদৌ অসম ছাত্ৰ সন্থাৰ উপ-সভাপতি অভিৰৰ্তন গোস্বামী, সহঃ সাধাৰণ সম্পাদক দীপক শৰ্মা, ক্ৰীড়া সম্পাদক সীমান্ত নেওঁগ আৰু সাংগঠনিক সম্পাদক বুলবুল দত্ত আৰু অনুপজ্যোতি ভূঞা, কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য সমৰজ্যোতি গোহাঁই আৰু বিকাশ মিছং, তিনিচুকীয়া জিলা ছাত্ৰ সন্থাৰ উপদেষ্টাসকল ক্ৰমে নিখিল কোঁচ, ৰাজা বালিমৰা, জীতেন্দ্ৰ চুতীয়া আৰু দীক্ষিত বেজবৰুৱাও উপস্থিত থাকে। আজিৰ কাৰ্যনিৰ্বাহক সভাতেই জিলা উপ-সভাপতি টংকেশ্বৰ শইকীয়াক জিলা উপদেষ্টা, কনচেং গগৈক জিলা উপ-সভাপতি আৰু প্ৰবেন ফুকনক সহ: সাধাৰণ সম্পাদক হিচাপে মনোনীত কৰে। নিৰ্বাচিত ভাৰপ্ৰাপ্ত সভাপতি দীপাংকৰ বুঢ়াগোহাঁইয়ে সমূহ তিনিচুকীয়া জিলাবাসীক লগতলৈ আগবাঢ়ি যাবলৈ পৰিকল্পনা কৰিব বুলি সংবাদ মাধ্যমৰ আগত মতপ্ৰকাশ কৰে। যুৱনেতাগৰাকীয়ে তিনিচুকীয়া জিলা ছাত্ৰ সন্থাক শক্তিশালী কৰিবলৈ জিলাখনৰ সমূহ আঞ্চলিকৰ সহযোগিতাৰ লগতে দিহা-পৰামৰ্শ কামনা কৰে।


■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বৰ্বৰতা! ফাঁচী বজাৰত জমেটোৰ

আৰক্ষীক মুখ্যমন্ত্ৰী আৰু আৰক্ষী সঞ্চালক প্ৰধানে ৰাজহুৱা সভা তথা ছ'চিয়েল মিডিয়াযোগে যিমানেই সৌহাৰ্দ্যপূৰ্ণ সম্পৰ্ক গঢ়ি কাম কৰিবলৈ পৰামৰ্শ দিলেও এইসকল আৰক্ষী বিষয়া, কনিষ্ঠবলে কুকুৰৰ নেজ চিধা নোহোৱাৰ দৰে এতিয়াও নিজকে শুধৰাবলৈ সমৰ্থ হোৱা নাই। বিপৰীতে এইসকল আৰক্ষী বিষয়া, কনিষ্ঠবলে নিৰীহ লোকৰ ওপৰত সৰু সৰু কথাতে ৰাং-কুকুৰৰ দৰে জঁপিয়াই পৰা পৰিলক্ষিত হৈছে। শুকুৰবাৰে সন্ধিয়া মহানগৰীৰ ফাঁচী বজাৰতো নীতি-নিয়ম নমনা, নিজকে বৰমতা দেখুৱাই ভালপোৱা এজন আৰক্ষী বিষয়াই সংঘটিত কৰে এক বৰ্বৰ ঘটনা। এই ঘটনাত গুৰুতৰভাৱে আহত হয় কটন বিশ্ববিদ্যালয়ৰ এজন সদ্য প্ৰাক্তন ছাত্ৰ। শোণিতপুৰ জিলাৰ জামুগুৰিহাটৰ দৰিদ্ৰ পৰিয়ালৰ চাকৰি সন্ধানী জ্ঞানদ্বীপ হাজৰিকা নামৰ পিতৃহাৰা মেধাৱী ছাত্ৰজনে দুপইছা উপাৰ্জনৰ বাবে অনলাইন ফুড ডেলিভাৰী কোম্পানী জমেটোত ডেলিভাৰী বয় হিচাপে সেৱা আগবঢ়াই আহিছিল। অইন দিনাৰ দৰে আজিও ছাত্ৰজনে নিজৰ স্কুটীখনেৰে ফুড ডেলিভাৰী কৰি থকা অৱস্থাতে ফাঁচী বজাৰত সামান্য ভুলৰ বাবেই আৰক্ষীৰ বৰ্বৰতাৰ সন্মুখীন হ'বলগীয়া হয়। প্ৰাপ্ত খবৰ অনুযায়ী সন্ধিয়া প্ৰায় ৬.৩০ বজাত ডেলিভাৰী বয় জ্ঞানদ্বীপে ফাঁচীবজাৰৰ জেইল ৰোডত ভুলবশতঃ 'নো এন্ট্ৰী' থকা পথেৰে স্কুটী লৈ প্ৰৱেশ কৰে। সেই সময়তে কৰ্তব্যৰত আৰক্ষীয়ে তেওঁক ৰ'বলৈ কয়। যুৱকজনে ৰও-নৰওকৈ থেৰেগেৰো কৰাৰ সময়তে পাণবজাৰ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া ভাৰ্গৱ বৰববা কাষচাপি আহি চোলাত ধৰি টানি নি বেয়াকৈ গালি-গালাজ কৰে। ইয়াতে ক্ষান্ত নাথাকি আৰক্ষী বিষয়া ভাৰ্গৱে জ্ঞানদ্বীপক মাৰধৰো কৰিবলৈ লয়। উক্ত ঘটনাৰ ভাইৰেল হৈ পৰা ভিডিঅ'টোত আৰক্ষী বিষয়া ভাৰ্গৱে ডেলিভাৰী বয় জ্ঞানদ্বীপক টানি নি কাষতে থকা ফুডষ্টল এখনৰ কাঠৰ ফ্ৰেমত চুলিত ধৰি জোৰ জোৰকৈ মূৰ থেকেচিয়াই থকা দেখা গৈছে। আৰক্ষী বিষয়াজনে এনেদৰে যুৱকজনক মূৰ থেকেচিয়াই প্ৰহাৰ কৰি থকা দেখিবলৈ পাই ওচৰত থকা লোকসকলে বাধা দিবলৈ চেষ্টা কৰে যদিও আৰক্ষী বিষয়াজনৰ লগতে কৰ্তব্যৰত আন আৰক্ষীয়ে লোকসকলক নিজৰ নিজৰ কাম কৰি যাবলৈ কয়। এনে সময়তে এজন সচেতন আৰু সাহসী লোকে মোবাইলেৰে সমগ্ৰ দৃশ্য আৱদ্ধ কৰিবলৈ লয়। আৰক্ষীয়ে মোবাইলেৰে ৰেকৰ্ড কৰি থকা লোকজনক বাধা দিয়াৰো চেষ্টা চলায়। ভিডিঅ'টোত আৰক্ষী বিষয়াজনে যুৱকজনক 'ক'ত যাবি তই, তোক মাৰি পেলাম' বুলি কৈ কাগজ-পত্ৰ বিচৰা দেখা গৈছে। যুৱকজনে কাগজ জাতীয় কোনো নথি উলিয়াই দিয়াৰ পিছতো পুনৰ মাৰধৰ কৰে আৰক্ষীয়ে। আৰক্ষীৰ প্ৰহাৰত একপ্ৰকাৰ লেবেজান হৈ পৰে ক্ষীণকায় অসহায় যুৱকজন। পাণবজাৰ থানাৰ সৈতে ঘটনা সন্দৰ্ভত জানিবলৈ যোগাযোগ কৰাত এজন আৰক্ষী বিষয়াই কয় যে নিৰ্দেশ দিয়াৰ পিছতো ডেলিভাৰী বয়জনে পলাই যাবলৈ চেষ্টা কৰিছিল বাবেই এনে অনাহূত পৰিস্থিতিৰ সৃষ্টি হয়। অৱশ্যে আৰক্ষী বিষয়াগৰাকীয়ে মাৰধৰ কৰা সন্দৰ্ভত মতামত দিবলৈ অস্বীকাৰ কৰে। ঘটনাটোৰ ভিডিঅ' ছ'চিয়েল মিডিয়াত ভাইৰেল হৈ পৰাৰ পিছতে নেটিজেনসকল ক্ষোভত ফাটি পৰা দেখা গৈছে। নেটিজেনসকলে আৰক্ষী বিষয়াজনৰ এনে বৰ্বৰতাক একমুখে ধিক্কাৰ দিয়াৰ লগতে ডিজিপি আৰু আন শীৰ্ষ আৰক্ষী বিষয়াসকলকো জবাবদিহি কৰা পৰিলক্ষিত হৈছে। এই কাণ্ড সভ্য সমাজৰ বিৰোধী বুলি উল্লেখ কৰি আৰক্ষী হ'ল বুলিয়েই সামান্য ভুলৰ বাবে এনেদৰে আইন নিজৰ হাতত তুলি লোৱা কাৰ্যত তীব্ৰ ভাষাৰে গৰিহণা দিছে সচেতন মহলে। জ্ঞানদীপ বৰাৰ ওপৰত আৰক্ষীয়ে সংঘটিত কৰা এনে আক্ৰমণৰ বিৰুদ্ধে কটনৰ ছাত্ৰ সমাজেও প্ৰতিক্ৰিয়া ব্যক্ত কৰা দেখা গৈছে। কটন কলেজৰ প্ৰাক্তন ছাত্ৰজনৰ হৈ থিয় দি আৰক্ষীৰ বৰ্বৰতাক ধিক্কাৰ দিয়াৰ লগতে ছাত্ৰ সমাজৰ একাংশই ছাত্ৰজনক মোকলাই আনিবলৈ পাণবজাৰ থানালৈকো যায়। পৰিস্থিতি বিষম হৈ পৰাত আৰু ছ'চিয়েল মিডিয়াত ঘটনাটোৱে ব্যাপক চৰ্চা লাভ কৰাত উপায়ন্তৰ হৈ অসম আৰক্ষীৰ উৰ্ধতম কৰ্তৃপক্ষই তাৎক্ষণিক ব্যৱস্থা গ্ৰহণ কৰিবলৈ বাধ্য হৈ পৰে। এক টুইটযোগে ডিজিপি জিপি সিঙে তাৎক্ষণিকভাৱে কাৰ্যকৰী হোৱাকৈ আইন হাতত তুলি লৈ ডেলিভাৰী বয়জনক নিৰ্মমভাৱে প্ৰহাৰ কৰা আৰক্ষী বিষয়া ভাৰ্গৱ বৰবৰাক নিলম্বনৰ নিৰ্দেশ দিয়া হৈছে বুলি সদৰী কৰে। ঘটনাটোক লৈ বিভাগীয় তদন্তৰো নিৰ্দেশ দিয়াৰ কথা টুইটযোগে সদৰী কৰিছে আৰক্ষী সঞ্চালক প্ৰধান জিপি সিঙে। শেহতীয়া খবৰ অনুযায়ী প্ৰহাৰ কৰি থানালৈ লৈ যোৱা জ্ঞানদ্বীপক পাণবজাৰ আৰক্ষীয়ে মুকলি কৰি দিছে। থানাৰ পৰা মুকলি হৈ ওলাই আহি সংবাদ মাধ্যমৰ আগত জ্ঞানদীপে কয় যে উক্ত পথটোৰে চেকিং চলিলেও সাধাৰণতে ডেলিভাৰী বয়সকলক আৰক্ষীয়ে যাবলৈ দিয়ে। মুখত আৰু মূৰত আঘাত পোৱা বুলি কৈ তেওঁ পলাবলৈ চেষ্টা কৰিছিল বুলি আৰক্ষীয়ে কৰা অভিযোগ নস্যাৎ কৰে। সেইসময়ত কৰ্তব্যৰত আৰক্ষী বিষয়াজন বেছি আক্ৰমণাত্মক হৈ পৰিছিল বুলি যুৱকজনে সংবাদমাধ্যমক জনায়। ঘটনাটোৰ পিছত থানালৈ নি যুৱকজনক কেবাঘণ্টা সময় ধৰি বহুৱাই ৰখা হৈছিল যদিও থানাৰ ভিতৰত আৰক্ষীয়ে পুনৰ কোনোধৰণৰ নিৰ্যাতন বা ভয়-ভাবুকি প্ৰদান কৰা নাই বুলিও জানিবলৈ দিয়ে ভুক্তভোগী যুৱকজনে। ইফালে, আজিৰ এই ঘটনাটোত আশ্চৰ্য প্ৰকাশ কৰি কংগ্ৰেছৰ সাংসদ প্ৰদ্যুৎ বৰদলৈয়ে ছ'চিয়েল মিডিয়াযোগে প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। ভিডিঅ'টো শ্বেয়াৰ কৰি সাংসদ বৰদলৈয়ে 'এয়াই নেকি জনতাৰ সেৱা কৰা আৰক্ষীৰ স্বৰূপ' বুলি প্ৰশ্ন উত্থাপন কৰিছে। ঘটনাটোক লৈ চি পি আই(এম)ৰ ৰাজ্যিক সম্পাদক সুপ্ৰকাশ তালুকদাৰৰ প্ৰতিক্ৰিয়া ব্যক্ত কৰিছে। চিপিআইএম নেতাগৰাকীয়ে কয় যে ফাঁচীবজাৰৰ ঘটনাই অসমৰ আইন-শৃংখলাজনিত পৰিস্থিতিৰ কিমান অৱনতি ঘটিছে সেয়াই স্পষ্ট কৰি তুলিছে।

# কামৰূপৰ বাপুজী প্ৰাথমিক বিদ্যালয়, বাথান প্ৰাথমিক বিদ্যালয়ত যৌথভাৱে শিশু দিৱস পালন

**ই-সংবাদ, শুৱালকুছি, ১৫ নবেম্বৰঃ** কামৰূপ জিলাৰ হাজো শিক্ষা খণ্ডৰ অন্তৰ্গত বাপুজী প্ৰাথমিক বিদ্যালয় আৰু ৫০৫ নং বাথান প্ৰাথমিক বিদ্যালয়ৰ যৌথ উদ্যোগত বাপুজী প্ৰাথমিক বিদ্যালয়, সৰু শ্ৰীহাটীত বিভিন্ন কাৰ্যসূচীৰে বৃহস্পতিবাৰে দেশৰ প্ৰথম গৰাকী প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰুৰ জন্ম দিনটোত শিশু দিৱস হিচাপে আড়ম্বৰপূৰ্ণভাৱে পালন কৰা হয়। ইয়াৰ অংশ স্বৰূপে বাপুজী প্ৰাথমিক বিদ্যালয়ত পুৱা ৯.৩০ বজাত বন্তি প্ৰজ্বলন আৰু পণ্ডিত নেহৰুৰ প্ৰতিচ্ছবিত শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰে বাপুজী প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী ৰুমী দেৱীয়ে। ইয়াৰ পিছতে দুয়োখন বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত প্ৰতিভা বিকাশৰ বাবে গীত-মাত, নৃত্য আদি সাংস্কৃতিক কাৰ্যসূচী অনুষ্ঠিত হয়। ছাত্ৰ-ছাত্ৰীসকলৰ মাজত এখনি আকস্মিক বক্তৃতা প্ৰতিযোগিতাও অনুষ্ঠিত কৰা হয়। আকস্মিক বক্তৃতা প্ৰতিয়োগিতাখন পৰিচলনা কৰে সাংবাদিক মৃণাল ডেকাই। শিশু দিৱসত উপস্থিত থাকি তেওঁ কণ কণ ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতিভা দেখি অভিভূত হৈ পৰা বুলি মন্তব্য কৰাৰ লগতে দুয়োখন বিদ্যালয়লৰ শৈক্ষিক পৰিৱেশ অতি উন্নত বুলিও মন্তব্য কৰে। উল্লেখ্য যে, বাপুজী প্ৰাথমিক বিদ্যালয় আৰু ৫০৫ নং বাথান প্ৰাথমিক বিদ্যালয় দুখনে বন্ধু বিদ্যালয় হিচাপে বিভিন্ন দিৱস, তিথি আদিত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত কবিতা আবৃত্তি, আকস্মিক বক্তৃতা, কুইজ, গীত-মাত, নৃত্য আদি প্ৰতিযোগিতা যৌথভাৱে আয়োজন কৰি আহিছে। প্ৰতিযোগিতাত প্ৰথম, দ্বিতীয় আৰু তৃতীয় স্থান প্ৰাপ্ত ছাত্ৰ-ছাত্ৰীসকলক পুৰস্কৃত কৰা হয়।




**বাপুজী প্ৰাথমিক বিদ্যালয় আৰু ৫০৫ নং বাথান প্ৰাথমিক বিদ্যালয়ৰ শিশু দিৱস পালনৰ দৃশ্য**

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# যোৰহাটত আৰম্ভ ‘অসম গ্ৰন্থমেলা’

জিলা ক্ৰীড়া সংস্থাৰ খেলপথাৰত এলানি বৰ্ণিল কাৰ্যসূচীৰে অসম প্ৰকাশন পৰিষদ, সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাই আয়োজন কৰা গ্ৰন্থমেলাখন আজি বিয়লি ৩ বজাত উদ্বোধন কৰা হয়। ইয়াত সন্মানীয় অতিথিৰ আসন শুৱনি কৰে অসম প্ৰকাশন পৰিষদৰ উপাধ্যক্ষ, বিশিষ্ট অভিধান প্ৰণেতা সুমন্ত চলিহাই। তেওঁ ভাষণত কয়, “আজি ড° বাণীকান্ত কাকতিদেৱৰ জন্ম আৰু মৃত্যু দিৱস। আজি ভাষাবিদ ড° গোলোক চন্দ্ৰ গোস্বামীদেৱৰো জন্ম দিৱস। অসমীয়া ভাষাটোক স্বকীয় ভাষা হিচাপে পৰিচয় দিয়াৰ ক্ষেত্ৰত এই দুয়োগৰাকী পণ্ডিতৰ অৱদান অপৰিসীম। এইবাৰ অসমীয়া ভাষাই ধ্ৰুপদীৰ মৰ্যাদা লাভ কৰিলে। এয়া আমাৰ বাবে গৌৰৱ আৰু আনন্দৰ বতৰা। গ্ৰন্থমেলা মানেই ভাষা-সাহিত্যৰ চৰ্চাৰ এখন নিৰ্ভৰযোগ্য থলী। অসম গ্ৰন্থমেলা, যোৰহাটতো এই বিষয়ক আলোচনা সত্ৰৰ আয়োজন কৰা হৈছে। আশা কৰিছো এই অনুষ্ঠান সফলকাম হ’ব।” তেওঁ লগতে কয় যে ধ্ৰুপদীৰ স্বীকৃতি লাভে অসমীয়া ভাষাক ভৱিষ্যতৰ দিনবোৰত বিভিন্ন প্ৰকাৰে লাভান্বিত কৰিব। অসমীয়া ভাষাৰ স্বতন্ত্ৰ পৰিচয় চৌদিশে প্ৰসাৰিত হ’ব। সাহিত্যৰ মাজেৰে গ্ৰন্থই এই পৰিচয় কঢ়িয়াই নিব। সভাখনত বিশেষ অতিথিৰূপে অংশগ্ৰহণ কৰে ওড়িষাৰ বিশিষ্ট সাহিত্যিক সুভাষ চন্দ্ৰ শতপথীয়ে। ভাষণত তেওঁ এইবুলি কয়, “অসমীয়া ভাষাই ধ্ৰুপদীৰ মৰ্যাদা লাভৰ বাবে অসমবাসীক অভিনন্দন জ্ঞাপন কৰিছো। এয়া অসমীয়া ভাষাৰ বাবে ঐতিহাসিক প্ৰাপ্য।” তেওঁ পুনৰ কয় যে মই বুৰঞ্জীৰ ছাত্ৰ তথা শিক্ষক হিচাপে দীৰ্ঘদিন ধৰি গ্ৰন্থমেলাৰ সৈতে জড়িত হৈ আছো। গ্ৰন্থমেলা হৈছে লেখক-পাঠক-প্ৰকাশকৰ সংযোগস্থলী আৰু বৌদ্ধিক অনুশীলনৰ থলী। গ্ৰন্থ উদ্যোগৰ সৈতে জড়িত থকাসকলে অনুবাদৰ ওপৰত বিশেষ গুৰুত্ব প্ৰদান কৰা উচিত। অনুবাদে ভাষা-সাহিত্যৰ সম্প্ৰসাৰণ ঘটায়। অসমীয়া ভাষা-সাহিত্য, কলা-সংস্কৃতিৰ এক বিশ্বজনীন আবেদন আছে। এইসমূহ জগতমুখী কৰাৰ পথ গ্ৰন্থৰ জৰিয়তেই নিৰ্ণয় কৰা সম্ভৱ। প্ৰসংগক্ৰমে অসম চৰকাৰে ওড়িশাত থকা সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ গৃহ সংৰক্ষণৰ ব্যৱস্থা কৰা কাৰ্যক উচ্চ প্ৰশংসা কৰে।

আন এগৰাকী বিশেষ অতিথি, সাহিত্য অকাদেমি বঁটা প্ৰাপক বিশিষ্ট সাহিত্যিক-সাংবাদিক অনুৰাধা শৰ্মা পূজাৰীয়ে কয় যে অসমীয়া ভাষাক লৈ আমি এতিয়া আৰু শংকিত হৈ থকাৰ প্ৰয়োজন নাই। ধ্ৰুপদী স্বীকৃতিয়ে অসমীয়া ভাষাৰ শিপা যে মজবুত সেই কথাকে প্ৰমাণ কৰিলে। লগতে তেওঁ কয়, “গ্ৰন্থৰ উত্তৰাধিকাৰী কোন হ’ব এয়া এতিয়াৰ ডাঙৰ প্ৰশ্ন। আমাৰ বুকচেল্‌ফৰ কিতাপবোৰৰ দায়িত্ব ভৱিষ্যত প্ৰজন্মই ল’বনে? ঘৰে-বাহিৰে ঠাই টুটি আহিছে। গতিকে ভাল কিতাপ ৰাখিবলৈ ডাঙৰ পুথি ভঁৰাল, জিলা পুথি ভঁৰাল আদিত সেই ঠাই উলিয়াব লাগিব। প্ৰযুক্তিয়ে বিভিন্ন বস্তু নোহোৱা কৰি দিলে। চিঠি-পত্ৰৰ আদান-প্ৰদানৰ ঠাইত মেছেজ আহিল, গ্ৰীটিংছ কাৰ্ড হেৰাই গ’ল। এয়া সঁচাকৈয়ে চিন্তাৰ বিষয়।” তেওঁ অন্য ভাষালৈ অসমীয়া ভাষাৰ ভাল কিতাপ অনুবাদৰ পোষকতা কৰি কয় যে পৃথিৱীত বেছিকৈ প্ৰচলিত ভাষাত অনুবাদ হ’লে ভাল, কাৰণ তেতিয়া অধিক মানুহে পঢ়াৰ সুযোগ লাভ কৰে। এইক্ষেত্ৰত অনুবাদক আৰু প্ৰকাশকসকল সচেতন হ’ব লাগিব। তেওঁ পুনৰ কয়, “সত্যৰ সন্ধানেই সাহিত্য। ইয়াত ৰাজনীতি নাই। সাহিত্য প্ৰকৃতিৰ দৰেই স্বতন্ত্ৰ।” ইয়াত বিশেষ অতিথিৰ আসন অলংকৃত কৰে বিশিষ্ট সাহিত্যিক ড০ অদিতি বেজবৰুৱাই। তেওঁ কয় যে অসম গ্ৰন্থমেলাৰ আয়োজন যোৰহাটবাসীৰ বাবে অতি আনন্দৰ বতৰা। কিতাপ আমাৰ বাবে অমূল্য সম্পদ। গ্ৰন্থ হৈছে জ্ঞানৰ পথ দেখুওৱা পোহৰ। গতিকে কিতাপৰ ভৱিষ্যতক লৈ আমিও দায়বদ্ধ হ’ব লাগিব। সভাখনত বিশেষ অতিথিৰূপে অংশগ্ৰহণ কৰে কাজিৰঙা লোকসভা সমষ্টিৰ সাংসদ কামাখ্যা প্ৰসাদ তাছা। তেওঁ কয়, “অসম প্ৰকাশন পৰিষদ আৰু সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাই অসম গ্ৰন্থমেলাৰ জৰিয়তে ৰাজ্যখনত কাৰ্যতঃ প্ৰজ্ঞাৰ উৎসৱ উদ্‌যাপন কৰিছে। এয়া সমাজ-জীৱনৰ বাবে অতি গুৰুত্বপূৰ্ণ।” তেওঁ লগতে কয় যে চৰ্চা নোহোৱা হ’লে ভাষাই মৃত্যুৰ দিশে গতি কৰে। আমাৰ ইয়াতো কাকত-আলোচনীৰ বিক্ৰী কমি অহা বুলি বিদ্বৎ সমাজৰ মাজত আলোচনা হৈ আহিছে। দুখৰ বিষয় শিক্ষকসকলেই কিতাপ নপঢ়ে। এয়া শুভ লক্ষণ নহয়। কিতাপ পঢ়াৰ আন্দোলন নতুনকৈ গঢ়ি তোলাৰ প্ৰয়োজন আহি পৰিছে। আশা কৰো গ্ৰন্থমেলাই এই আন্দোলনৰ বাট মুকলি কৰিব।” সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাৰ উপ-সভাপতি বাহাৰুল ইছলাম চৌধুৰীয়েও সভাখনত অংশগ্ৰহণ কৰে। অসম প্ৰকাশন পৰিষদৰ সচিব প্ৰমোদ কলিতাৰ আদৰণি ভাষণেৰে আৰম্ভ হয় উদ্বোধনী সভাখন। তেওঁ ভাষণ প্ৰসংগত কয়, “অসম গ্ৰন্থমেলাৰ জৰিয়তে গুৱাহাটী মহানগৰীৰ পৰা বিভিন্ন প্ৰান্তলৈ গ্ৰন্থমেলা সম্প্ৰসাৰণ কৰাৰ প্ৰচেষ্টা অব্যাহত আছে। অসম প্ৰকাশন পৰিষদ আৰু সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাৰ এই গ্ৰন্থ উৎসৱলৈ লেখক-পাঠক-প্ৰকাশকৰ ইতিবাচক সঁহাৰিয়ে আমাৰ পাথেয়। অসমৰ বাহিৰতো, বাংগালুৰুত আমি গ্ৰন্থমেলা অনুষ্ঠিত কৰিব পাৰিছো। গ্ৰন্থৰ প্ৰতি মানুহৰ সমাদৰ বৃদ্ধি, ভাষা-সাহিত্যৰ চৰ্চা তথা বৌদ্ধিক কছৰৎ অধিক উন্নত কৰাৰ লক্ষ্য আৰু উদ্দেশ্যৰে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ নিৰ্দেশনা-পৰামৰ্শ আৰু শিক্ষামন্ত্ৰী তথা প্ৰকাশন পৰিষদৰ অধ্যক্ষ ডাঃ ৰণোজ পেগুৰ আগ্ৰহ-পৰিকল্পনাৰ বাবেই অসম গ্ৰন্থমেলা অনুষ্ঠিত কৰাটো সম্ভৱ হৈ উঠিছে। সমান্তৰালভাৱে গ্ৰন্থমেলাসমূহত অনুষ্ঠিত হৈ আহিছে সাহিত্য-সংস্কৃতি-ইতিহাস আদিৰ বিষয়ে ভিন্ন ভিন্ন আলোচনা সত্ৰ আৰু শিক্ষানুষ্ঠানৰ মাজত সাংস্কৃতিক প্ৰতিযোগিতা। প্ৰতিটো অনুষ্ঠানতে ৰাইজৰ সহযোগিতা কামনা কৰিছো। আশা প্ৰকাশ কৰিছো সকলোৰে সহযোগিতাৰে অসম গ্ৰন্থমেলা, যোৰহাট সাফল্যমণ্ডিত হ’ব।” সভাৰ প্ৰাৰম্ভতে সৰস্বতী বন্দনা পৰিৱেশন কৰি জোনাকী সংঘ বিদ্যালয়ৰ শিক্ষাৰ্থীসকলে। ইয়াৰ পাছতে সাংস্কৃতিক প্ৰতিযোগিতাৰ মনপৰশা কাৰ্যূচীয়ে মুখৰিত কৰি তোলে গ্ৰন্থমেলা প্ৰাংগণ।

# বৰহোলাত অভাৱী লোকক বস্ত্ৰ বিতৰণেৰে বিৰিঙালে হাঁহি

**ই-সংবাদ, তিতাবৰ, ১৫ নৱেম্বৰঃ** তিতাবৰ মহকুমাৰ বৰহোলাত আজি একাংশ অভাৱী লোকক বস্ত্ৰ বিতৰণৰ এক আদৰণীয় পদক্ষেপ গ্ৰহণ কৰা হয়। হংসধ্বনি ছ’চিঅ' কালচাৰেল ডেভেলপমেণ্ট ফাউণ্ডেশ্যনৰ উদ্যোগত আৰু হংসধ্বনি সংগীত বিদ্যালয়ৰ সহযোগত অনুষ্ঠিত হোৱা এই বস্ত্ৰ বিতৰণ কাৰ্যসূচীত এলেকাটোৰ প্ৰায় অৰ্ধশতাধিক লোকক বিভিন্ন বস্ত্ৰ বিতৰণ কৰা হয়। ফাউণ্ডেশ্যনটোৰ সঞ্চালক উৎপল সোণোৱালে আঁত ধৰা কাৰ্যসূচীটোৰ উদ্বোধন আৰু বিতৰণ কাৰ্য আৰম্ভ কৰে বৰহোলা সাংবাদিক সন্থাৰ সম্পাদক অজয় শইকীয়াই। কাৰ্যসূচীত স্থানীয় সমাজকৰ্মী জগত বৰা, বিতু বৰা, ফাউণ্ডেশ্যনটোৰ অন্যতম সঞ্চালিকা দিব্যশ্ৰী শইকীয়া আদিয়ে অংশগ্ৰহণ কৰিও উপস্থিত লোকসকলক বস্ত্ৰ বিতৰণ কৰে। বিনামূলীয়াকৈ বস্ত্ৰ লাভ কৰি অৰ্ধশতাধিক শিশু-কিশোৰ, পুৰুষ-মহিলাৰ মুখত হাঁহি বিৰিঙি উঠাৰ লগতে এনে কাৰ্যসূচীৰ জৰিয়তে যথেষ্ট উপকৃত হৈছে বুলি প্ৰকাশ কৰে। আনহাতে আগন্তুক দিনতো এই বিতৰণ কাৰ্যসূচী অব্যাহত ৰখাৰ লগতে ইচ্ছুকসকলে বস্ত্ৰ দান কৰিব পাৰিব বুলি সংবাদ মাধ্যমৰ জৰিয়তে ব্যক্ত কৰিছে সঞ্চালক উৎপল সোণোৱালে।

Nucleomed- পেটচিটি স্কেন / PETCT Scan- 970701223

# আদৰণি সমিতি গঠন
# ২ ডিচেম্বৰত ঘাঁচি সমাজৰ ২৯ সংখ্যক প্ৰতিষ্ঠা দিৱসৰ আয়োজন

**ই-সংবাদ, বিশ্বনাথ, ১৫ নবেম্বৰঃ** অলপতে ডিব্ৰুগড় জিলাৰ নামৰূপ চাহ বাগিছা ক্লাব ঘৰ প্ৰাংগণত ঘাঁচি সমাজৰ প্ৰতিষ্ঠা দিৱস উদযাপন উপলক্ষে এখন সভা অনুষ্ঠিত হৈ যায়। ঘাঁচি সমাজৰ টিংখাং আঞ্চলিক সমিতিয়ে আয়োজন কৰা সভাত অহা ২ ডিচেম্বৰত অনুষ্ঠিত হ'ব লগা ঘাঁচি সমাজৰ ২৯ সংখ্যক প্ৰতিষ্ঠা দিৱস সম্পৰ্কে বিশদভাৱে আলোচনা কৰা হয়। টিংখাং আঞ্চলিক ঘাঁচি সমাজৰ সভাপতি প্ৰশান্ত নায়কৰ সভাপতিত্বত আৰু উপ-সভাপতি দিপক নায়কে উদ্দেশ্য বাখ্যা কৰা সভাত ২৯ সংখ্যক ঘাঁচি সমাজৰ প্ৰতিষ্ঠা দিৱস উদযাপনৰ লগতে সমাজখনৰ উন্নয়নমুখী কেইবাটাও প্ৰস্তাৱ গ্ৰহণ কৰা হয়। ইয়াৰ উপৰি প্ৰতিষ্ঠা দিৱস উদযাপনৰ বাবে দিপক নায়কক সভাপতি আৰু তৰুণ নায়কক সম্পাদক হিচাপে দায়িত্ব অৰ্পণ কৰি এক শক্তিশালী আদৰণি সমিতি গঠন কৰা হয়। উল্লেখ্য যে আজিৰে পৰা কাৰ্যকৰী হোৱাকৈ ঘাঁচি সমাজৰ ২৯ সংখ্যক প্ৰতিষ্ঠা দিৱস উদযাপনৰ বাবে প্ৰস্তুতি চলোৱাৰ কথা সভাত উল্লেখ কৰে ঘাঁচি সমাজৰ বিষয়ববীয়াসকলে।

# ১৮ নৱেম্বৰত যুৱ-ছাত্ৰ পৰিষদৰ পুৰণিগুদাম আঞ্চলিকৰ দ্বি-বাৰ্ষিক অধিৱেশন

**ই-সংবাদ, পুৰণিগুদাম, ১৫ নৱেম্বৰঃ** অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ চমুকৈ এজেৱাইচিপিৰ নগাঁও জিলা সমিতিৰ অন্তৰ্গত পুৰণিগুদাম আঞ্চলিক সমিতিৰ দ্বি-বাৰ্ষিক অধিৱেশনখনি অহা ১৮ নৱেম্বৰত দিনযোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হ'ব। অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ পুৰণিগুদাম আঞ্চলিক সমিতিৰ উদ্যোগত আৰু পুৰণিগুদামবাসী ৰাইজৰ সহযোগত পুৰণিগুদাম বাপুজী ভৱন আৰু পুথিভঁড়ালত প্ৰাংগণত অনুষ্ঠিত হ'বলগীয়া অধিৱেশনৰ কাৰ্যসূচী অনুসৰি পুৱা ৯ বজাত পৰিষদৰ পতাকা উত্তোলন কৰিব পুৰণিগুদাম আঞ্চলিক সমিতিৰ সভাপতি ওৱাচিফ আলমে। পুৱা ৯-৩০ বজাত শ্বহীদ তৰ্পণ কৰিব পুৰণিগুদাম আঞ্চলিক সমিতিৰ সাধাৰণ সম্পাদক প্ৰাণকৃষ্ণ ডেকাই। পুৱা দহ বজাত প্ৰতিনিধি পঞ্জীয়ন। পুৱা এঘাৰ বজাত অনুষ্ঠিত হ'বলগীয়া প্ৰতিনিধি সভাখন উদ্বোধন কৰিব পৰিষদৰ নগাঁও জিলা সমিতিৰ সভাপতি প্ৰাগজ্যোতিষ বনিয়াই। প্ৰতিনিধি সভাত নিদিষ্ট বক্তা হিচাপে উপস্থিত থাকিব নগাঁও জিলা সমিতিৰ সাধাৰণ সম্পাদক দেৱাশীষ দাস। বিয়লি তিনি বজাত অনুষ্ঠিত হ'ব বিষয়-বাচনি সভা। সন্ধ্যা সাত বজাত বিশেষ সম্বৰ্ধনা অনুষ্ঠান অনুষ্ঠিত হ'ব। সন্ধ্যা ৭-৩০ বজাত গ্ৰন্থ উন্মোচন অনুষ্ঠানত গ্ৰন্থ উন্মোচন কৰিব ইষ্টাৰ্ণ ক্ৰনিকলৰ জ্যেষ্ঠ সাংবাদিক ফাইজুৰ ৰহমানে। নিশা আঠ বজাত অনুষ্ঠিত হ'বলগীয়া সাংস্কৃতিক অনুষ্ঠানৰ মঞ্চ উদ্বোধন কৰিব নগাঁও জিলাৰ আৰক্ষী অধীক্ষক স্বপ্ননীল ডেকাই। উক্ত অনুষ্ঠানত নিমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকিব জিলা উন্নয়ন আয়ুক্ত গুণজিৎ কাশ্যপ আৰু নগাঁৱৰ যুৱ ব্যৱসায়ী উৎপল বনিয়া। নিশা ৮-৩০ বজাত অংগাভিনয় অসমে নৃত্যানুষ্ঠান পৰিৱেশন কৰিব। নিশা দহ বজাত "শৰতৰ এনিশা" অনুষ্ঠানত অসমৰ জনপ্ৰিয় কণ্ঠশিল্পী মাধুৰ্য মৌচম আৰু প্ৰিয়ংকা খাটনিয়াৰে গীত পৰিৱেশন কৰিব বুলি সমিতিৰ সাধাৰণ সম্পাদক প্ৰাণকৃষ্ণ ডেকা,উপদেষ্টা চন্দন ফুকন, প্ৰাৰ্থপ্ৰতিম বৈৰাগী, দিব্যজিত হাজৰিকা আৰু আব্দুল আজিজে জানিবলৈ দিছে। অধিৱেশনখন সফল কৰিবৰ বাবে ৰাইজৰ উপস্থিতি আৰু সহায়-সহযোগিতা আঞ্চলিক সমিতিৰ নেতৃত্বই আন্তৰিকতাৰে কামনা কৰিছে।

# মৰিগাঁও নগৰৰ যান-বাহনৰ আস্থান স্থানান্তৰ সন্দৰ্ভত আছুৰ উদ্যোগত বিশেষ সভা

**ই-সংবাদ, মৰিগাঁও, ১৫ নৱেম্বৰঃ** সদৌ মৰিগাঁও জিলা ছাত্ৰ সন্থাৰ উদ্যোগত আজি মৰিগাঁও চহৰৰ মাজমজিয়াৰ পৰা যাত্ৰীবাহী আস্থানসমূহ স্থানান্তৰিত কৰাত সৃষ্টি হোৱা সমস্যা আৰু সমাধান সন্দৰ্ভত এখনি ৰাজহুৱা সভা অনুষ্ঠিত হয়। মৰিগাঁও আছুৰ সভাপতি দিপুল কুমাৰ নাথৰ সভাপতিত্বত আজি দিনৰ ১১ বজাৰ পৰা চহৰখনৰ ঐতিহ্যমণ্ডিত বিহুতলীত অনুষ্ঠিত হোৱা ৰাজহুৱা সভাখনত সদৌ অসম ছাত্ৰ সন্থাৰ সাংগঠনিক সম্পাদক ৰূপজ্যোতি মেধিয়ে মূল সমস্যাৰ ওপৰত বক্তব্যত কয় যে মৰিগাঁওৰ দৰে এখন সৰু চহৰত এইদৰে হঠাতে অপৰিকল্পিতভাৱে আস্থানসমূহ চহৰখনৰ মধ্যস্থলৰ পৰা স্থানান্তৰিত কৰা বিষয়টোৱে বৰ্তমান সমগ্ৰ চহৰখনতেই বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। আছু উন্নয়ন বিৰোধী নহয়, কিন্তু মৰিগাঁও জিলা প্ৰশাসন আৰু মৰিগাঁও পৌৰসভাই এক নিৰ্দেশনাযোগে বাছ আস্থানসমূহৰ স্থান সলনি কৰাৰ ফলত সাধাৰণ জনসাধাৰণে যথেষ্ট দুৰ্ভোগ ভুগিবলগীয়া হোৱাৰ লগতে আছুক তেওঁলোকে সন্মুখীন হোৱা বিভিন্ন সমস্যাৰাজিৰ বিষয়ে অৱগত কৰিছে বুলি মেধিয়ে মন্তব্য প্ৰকাশ কৰাৰ উপৰি তেওঁ পুনৰ কয় যে এইধৰণে চহৰখনৰ মধ্যস্থলৰ পৰা বহু আঁতৰত নতুন আস্থানসমূহ স্থানান্তিৰত কৰিবলগীয়া হোৱাৰ বাবে চহৰখনলৈ দৈনন্দিন ৰাজহুৱা পৰিবহণেৰে অহা-যোৱা কৰা ছাত্ৰ-ছাত্ৰীসকল তথা চিকিৎসালয়লৈ চিকিৎসাৰ বাবে অহা ৰোগীসকলৰ লগতে অন্য যাত্ৰীসকলে পূৰ্বতকৈ অতিৰিক্ত ভাড়া দিবলগীয়া হৈছে। জিলা প্ৰশাসন তথা মৰিগাঁও পৌৰসভাই গ্ৰহণ কৰা সিদ্ধান্তটো পুনৰবাৰ ভালদৰে বিবেচনা কৰি চাবলৈ আছুৰ কেন্দ্ৰীয় নেতাগৰাকীয়ে আহ্বান জনায়। মৰিগাঁও আছুৰ ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদক দিব্যজ্যোতি চৌধুৰীয়ে উদ্দেশ্য ব্যাখ্যা কৰা ৰাজহুৱা সভাত মৰিগাঁও চহৰৰ মাজ-মজিয়াৰ পৰা যাত্ৰীবাহী আস্থানসমূহ স্থানান্তৰিত কৰাত সৃষ্টি হোৱা বৃহৎ সমস্যাৰ ওপৰত মানৱ অধিকাৰ সংগ্ৰাম সমিতিৰ মুখ্য উপদেষ্টা বুবুমণি গোস্বামী, অসম সেনাৰ কেন্দ্ৰীয় সংগঠক হিমাংশু মহন্ত, জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি প্ৰতাপ হাজৰিকা, অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ মৰিগাঁও জিলা সমিতিৰ সম্পাদক মাধুৰ্য বৰা, জ্যেষ্ঠ সাংবাদিক অজিত শৰ্মা, চেম্বাৰ্চ অৱ কমাৰ্ছৰ সভাপতি মিলন ডেকা, মধ্য অসম কোচ ৰাজবংশী ছাত্ৰ সন্থাৰ সভাপতি পৰেশ ডেকা, নাথ যোগী সন্মিলনৰ মৰিগাঁও জিলা সমিতিৰ সম্পাদক নিতুমণি নাথ, মৰিগাঁও জিলা সাংবাদিক সংস্থাৰ সম্পাদক জিতুমণি নাথ, যুৱ সাংবাদিক জোন ফৰিদ ঠাকুৰীয়া, বিদ্যাজোতি কনিষ্ঠ মহাবিদ্যালয়ৰ অধ্যক্ষ কুঞ্জ বৰা, স্থানীয় শিক্ষয়িত্ৰী মঞ্জু দত্ত, বীৰ লাচিত সেনাৰ মৰিগাঁও সচিব দীপজ্যোতি হীৰা, চেম্বাৰ্চ অৱ কমাৰ্ছৰ উপ-সভাপতি ৰাজু দাস, মৰিগাঁও মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক পৰাগ জ্যোতি ডেকা, মৰিগাঁও দৈনিক বজাৰ সমিতিৰ সম্পাদক হৰিপদ নাথৰ লগতে ই-ৰিক্সা সন্থা, ৰিক্সা চালক সন্থা, টেম্পু চালক সন্থা আৰু পদপথৰ ক্ষুদ্ৰ ব্যৱসায়ীসকলৰ উপৰিও মৰিগাঁও জিলাৰ সচেতন নাগৰিকসকল উপস্থিত থাকি বক্তব্য আগবঢ়ায়। আজি অনুষ্ঠিত হোৱা ৰাজহুৱা সভাত যাত্ৰীবাহী আস্থানসমূহ স্থানান্তৰিত কৰাত সৃষ্টি হোৱা বৃহৎ সমস্যাৰ ক্ষেত্ৰত সৰ্বসন্মতিক্ৰমে ৭টাকৈ সিদ্ধান্ত গ্ৰহণ কৰা হয়। শীঘ্ৰে প্ৰশাসনক উপযুক্ত ব্যৱস্থা কৰিবলৈকো আজিৰ সভাই দাবী জনায়।

# কপাহবাৰী গাঁও পঞ্চায়তৰ সচিবক অপদস্থ কৰাৰ অভিযোগ

**ই-সংবাদ, মোৰাঝাৰ, ১৫ নৱেম্বৰঃ** হোজাইৰ বিন্নাকান্দি উন্নয়ন খণ্ডৰ কপাহবাৰী গাঁও পঞ্চায়তৰ কাৰ্যালয়ত একাংশ দালাল প্ৰকৃতিৰ লোকে প্ৰৱেশ কৰি সচিবক অপদস্ত আৰু দুৰ্ব্যৱহাৰ কৰাৰ সন্দৰ্ভত অভিযোগ দাখিল কৰিছে স্থানীয় ৰাইজে। উল্লেখ্য যে যোৱা ২৮ অক্টোবৰত পঞ্চায়তখনত বাহাৰ উদ্দিন নামৰ ব্যক্তিগৰাকীয়ে একাংশ দালাল শ্ৰেণীৰ লোকক লৈ কাৰ্যালয় চলি থকা অৱস্থাত কাৰ্যালয়ত প্ৰৱেশ কৰি পঞ্চায়ত সচিব ৰফিকুল ইছলামক অপদস্থ কৰে তথা ভিডিঅ' ৰেকডিং কৰি সামাজিক মাধ্যমত প্ৰচাৰ কৰে। এই কাৰ্যৰে সচিবৰ মানহানি কৰাৰ লগতে পঞ্চায়তখনৰ সুনাম বিনষ্ট কৰাৰ অভিযোগ উঠিছে বাহাৰ উদ্দিনৰ বিৰুদ্ধে। উল্লেখ্য যে, বিগত বছৰসমূহত পঞ্চায়তত বিভিন্ন আঁচনিৰ জৰিয়তে বহু উন্নয়নমূলক কাম-কাজ সম্পন্ন হৈছে। বৰ্তমানেও তীব্ৰ গতিত কাম চলি আছে। যাৰ ফলত সকলো ফালৰ পৰা এটা উন্নয়নৰ এক বাতাবৰণ সৃষ্টি হৈছে। কিন্তু বাহাৰ উদ্দিন নামৰ ব্যক্তিগৰাকী বিভিন্ন দুৰ্নীতি আৰু অসামাজিক কাৰ্যৰ লগত জড়িত তথা প্ৰায়ে পঞ্চায়ত আৰু অঞ্চলটিত বেমেজালিৰ সৃষ্টি কৰাৰ প্ৰয়াস কৰি থাকে। উক্ত ব্যক্তিজনৰ বিৰুদ্ধে নিৰীহ মানুহৰ ওপৰত অত্যাচাৰ চলোৱাৰ লগতে ভুৱা গোচৰ দি বিভিন্ন ব্লেকমেইলিং কৰাৰ অভিযোগ উঠিছে। এনে নীচ মানসিকতাৰ ব্যক্তিৰ পৰা পঞ্চায়তবাসী অতিষ্ঠ হৈ পৰিছে। যাৰ বাবে সন্মিলিতভাৱে বিন্নাকান্দি উন্নয়ন খণ্ডৰ বিষয়াৰ ওচৰত অভিযো দাখিল কৰিছে।আঞ্চলিক পঞ্চায়তৰ সদস্যাৰ পিতৃয়ে এনৰেগা বা আন চৰকাৰী কাম সম্পূৰ্ণ নকৰাকৈ চৰকাৰী ধন মোকলাই নিয়াৰ বাবে সচিবক চাপ সৃষ্টি কৰাৰো অভিযোগ আছে। তেওঁৰ কাৰ্যকালত লাভ কৰা আঞ্চলিক সদস্যৰ পঞ্চদশ বিত্তীয় আয়োগৰ ধন আৰু অন্যান্য ফান্দৰ টকা ক'ত গল, কোনে খালে, কি কৰিলে সেয়া তদন্তৰ দাবী জনাইছে। আঞ্চলিক পঞ্চায়তৰ সদস্যা ৰুবিনা বেগমৰ পিতা মনাফ আলীয়ে নমিনী হিচাপে যোৱা ৫ বছৰে আঞ্চলিক পঞ্চায়ত সদস্যৰ কাম-কাজ চলাই নিছে। যিসময়ত অন্যান্য পঞ্চায়তত আঞ্চলিক সদস্যই পঞ্চদশ বিত্তীয় আয়োগৰ অধীনত কেইবাটাও আঁচনিৰ কাম কৰিব পাৰিছে, সেই সময়ত এই পঞ্চায়তখনত কোনো কাম-কাজ কৰা দৃষ্টিগোচৰ হোৱা নাই বুলি অভিযোগত উল্লেখ কৰিছে। ইমানতে দুৰ্নীতিত ক্ষান্ত নাথাকি বাহাৰ উদ্দিনৰ ককায়েক জামাল উদ্দিনৰ পৰিয়ালত চৰকাৰী চাকৰিয়াল থকাৰ পিছতো বিভিন্ন অসৎ উপায় অৱলম্বন কৰি AS-2165512 নম্বৰৰ আই, ডিৰ জৰিয়তে চৰকাৰী ঘৰ লাভ কৰিবলৈ সক্ষম হৈছে।

# বাক্সাৰ ভূটানখুটিত নাবালিকাক ধৰ্ষণৰ অপচেষ্টা দুই কন্যা সন্তানৰ পিতৃৰ

**ই-সংবাদ, মুছলপুৰ, ১৫ নৱেম্বৰঃ** বাক্সা জিলাৰ মুছলপুৰ আৰক্ষী থানাৰ অন্তৰ্গত ভূটানখুটিত এজন লোকে এগৰাকী কিশোৰীক ধৰ্ষণৰ চেষ্টা কৰা ঘটনাই সমগ্ৰ অঞ্চলটোতে চাঞ্চল্যৰ সৃষ্টি কৰিছে। জানিব পৰা মতে, ঘৰত কোনো নথকাৰ সুযোগ গ্ৰহণ কৰি লম্পট চৰিত্ৰৰ ব্যক্তি তথা দুই কন্যা সন্তানৰ পিতৃ সন্তোষ সুবেদীয়ে চৈধ্য বছৰীয়া কিশোৰীগৰাকীক ধৰ্ষণৰ অপচেষ্টা চলায়। কিশোৰীগৰাকীয়ে ঘটনাৰ আকস্মিকতাত চিঞৰ-বাখৰ কৰাত সন্তোষ সুবেদীয়ে পলায়ন কৰে। পিছত ঘটনা সন্দৰ্ভত পিতৃ-মাতৃক অৱগত কৰাত গাঁও উন্নয়ন সমিতিক বিচাৰ প্ৰদান কৰে। কিন্তু গাঁও উন্নয়ন সমিতিয়ে কোনো ব্যৱস্থা গ্ৰহণ কৰিব নোৱাৰাত অৱশেষত মুছলপুৰ আৰক্ষী থানাত এখন এজাহাৰ দাখিল কৰে। আৰক্ষীয়ে এজাহাৰ পোৱাৰ পিছতে অভিযুক্ত লোকজনক নিশা আত্মগোপন কৰি থকা অৱস্থাৰ পৰা আটক কৰি নি গ্ৰেপ্তাৰ কৰে। উল্লেখ্য যে এইগৰাকী ব্যক্তি ইয়াৰ পূৰ্বেও নিকাছি বজাৰৰ এজন ব্যৱসায়ীৰ টেবুল ভাঙি ২ লাখ টকা চুৰি কৰি হাতে লোটে ধৰা পৰিছিল। ইয়াৰ উপৰি নাৰায়ণ পৰাজুলি নামৰ এগৰাকী লোকৰ ঘৰত সোমাই চুৰি কৰি থকা অৱস্থাতে ৰাইজে আৱদ্ধ কৰি ৰাজহুৱা শাস্তি প্ৰদান কৰিছিল। কালি আৰক্ষীয়ে লোকজনক গ্ৰেপ্তাৰ কৰাৰ পাছতে অঞ্চলটোৰ ৰাইজে লোকজনক দৃষ্টান্তমূলক শাস্তি প্ৰদান কৰিবলৈ দাবী জনাইছে।



ব্ৰহ্মপুত্ৰত সামুদ্ৰিক বিমানৰ পৰীক্ষণৰ অন্তত মন্ত্ৰী জয়ন্ত মল্ল বৰুৱা

# সদৌ অসম কবি সাহিত্য চক্ৰৰ বঁটা প্ৰদান অনুষ্ঠান

**ই-সংবাদ, বৰপেটা, ১৫ নৱেম্বৰঃ** আজি দিনৰ এক বজাত বৰপেটা জিলা কবি-সাহিত্য চক্ৰৰ উদ্যোগত জিলা অস্থায়ী কাৰ্যালয় উল্লাহ ম্যানচনত সদৌ অসম কবি-সাহিত্য চক্ৰৰ এক বঁটা প্ৰদান অনুষ্ঠান অনুষ্ঠিত হয়। অনুষ্ঠানত সভাপতিত্ব কৰে জিলা কবি-সাহিত্য চক্ৰৰ সভাপতি সেখ ৰহমত উল্লাহই। সভাত উদ্দেশ্য ব্যাখ্যা কৰে সম্পাদক লক্ষ্মী পাঠকে। এই গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত পাঠশালাৰ চিত্ৰ শিল্পী হাৰুন আলীক সদৌ অসম কবি-সাহিত্য চক্ৰৰ পৰা ২০২৩/২৪ বৰ্ষৰ আজীৱন সাধনা বঁটা প্ৰদান কৰা হয়। এই বঁটাত এখন চেলেং চাদৰ, মানপত্ৰ, স্মাৰক, কলম আৰু দহখন কিতাপ প্ৰদান কৰা হয়। অনুষ্ঠানত বৰপেটা জিলাৰ আন এগৰাকী নিৰক্ষৰ শিল্পী হাবেল উদ্দিনক নিৰক্ষৰ কবি হিচাপে স্বীকৃতি প্ৰদান কৰি মানপত্ৰ দিয়া হয়। আজিৰ অনুষ্ঠানতে বৰপেটা জিলা কবি-সাহিত্য চক্ৰৰ কাৰ্যকৰী সভাপতি ড০ ভৱেশ পাটগিৰিয়ে হাৰুন আলীৰ কৰুণ কাহিনী বৰ্ণনা কৰে। আৰ্থিকভাৱে অতি দুৰ্বল হাৰুন আলীয়ে তুলিকা, ৰং আৰু হাতৰ পাৰদৰ্শিতাৰে সংসাৰখন কোনো মতে চলাই আছে। য'ত আধুনিক যুগৰ ডিজিটেল মাধ্যমসমূহে সাধাৰণ শ্ৰেণীৰ মানুহৰ পেটৰ ভাত কাঢ়ি নিছে। তেওঁ হাৰুন আলীৰ বিষয়ে বৰ্ণনা কৰিবলৈ গৈ আৰু কয় যে শৃংগালৰ জাক জাক সিংহৰ এটাই ভাল। বৃহত্তৰ পাঠশালা অঞ্চলত চিত্ৰ শিল্পী হাৰুন আলীক চিনি নোপোৱা মানুহ নাই বুলিয়ে ক'ব পাৰি। ভাম্যমাণ কহিনুৰ, আৱাহন থিয়েটাৰত জন্মলগ্নৰে পৰা ছেটিঙৰ কাম কৰিছিল তেওঁ। আজিকালি মানুহৰ হাতৰ বিদ্যাৰ পৰা কম্পিউটাৰ যাদুৰহে জগত চলিছে। হস্তশিল্পৰ গুৰুত্ব কমি আহিছে। অনুষ্ঠানত চিত্ৰ শিল্পী সেখ ৰহমত উল্লাহই পাঠশালাৰ সেই ভাম্যমাণ থিয়েটাৰৰ ছেটিঙছৰ অভিজ্ঞতা আৰু সেই সময়ৰ স্ক্ৰীন প্ৰিন্টিং মাধ্যমত কৰা আলোচনী সমূহৰ বেটুপাতসমূহৰ কথা আলোকপাত কৰে। অনুষ্ঠানটো আৰু জীপাল কৰি তোলে গীত-মাত আৰু সংগীতে।

# মিকিৰভেটাৰ সমাজকৰ্মী-অৱসৰপ্ৰাপ্ত শিক্ষক ৰাতুল কটকীৰ দেহাৱসান

**ই-সংবাদ, মৰিগাঁও, ১৫ নৱেম্বৰঃ** মৰিগাঁও জিলাৰ মিকিৰভেটা অঞ্চলৰ বিশিষ্ট সমাজকৰ্মী তথা অৱসৰপ্ৰাপ্ত শিক্ষক ৰাতুল কটকী(৭২)ৰ আজি দুপৰীয়া দেহাৱসান ঘটে। তেওঁৰ মৃত্যুত সমগ্ৰ অঞ্চলটোত শোকৰ ছাঁ পৰে। মিকিৰভেটা অঞ্চলৰ হেকুডাংবৰী গাঁৱৰ সৰবৰহী ব্যক্তি হিচাপে পৰিচিত ৰাতুল কটকী দীৰ্ঘদিন ধৰি বৃক্কৰ ৰোগত আক্ৰান্ত হৈ নিজ গৃহত চিকিৎসাধীন হৈ থকা অৱস্থাতে কৰুণ মৃত্যুক সাবটি লয়। মিকিৰভেটাৰ প্ৰয়াত মুক্তিযুঁজাৰু উমেশ কটকীৰ পুত্ৰ তথা মৰিগাঁও জিলাৰ মুক্তিযুঁজাৰু সতি-সন্ততি পৰিয়াল সমিতিৰ সভাপতি ৰাতুল কটকীৰ মৃত্যুৰ বাতৰি বিয়পি পৰাৰ লগে লগে অঞ্চলটোৰ বহু লোক কটকীৰ বাসগৃহলৈ গৈ তেওঁক শেষ শ্ৰদ্ধা নিবেদন কৰে। উল্লেখ্য যে ১৯৫২ চনত জন্ম গ্ৰহণ কৰা কটকী প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক হিচাপে কাৰ্যনিৰ্বাহ কৰি অৱসৰ গ্ৰহণ কৰিছিল। মিকিৰভেটা অঞ্চলৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত জড়িত কটকীৰ মৃত্যুত মিকিৰভেটা উৰাবৰী সাৰ্বজনীন ৰাস মন্দিৰ পৰিচালনা সমিতি, আঞ্চলিক ক্ৰীড়া সন্থা, মৰিগাঁও জিলা মুক্তিযুঁজাৰু সতি-সন্ততি পৰিয়াল সমিতি, মিকিৰভেটা জ্যেষ্ঠ নাগৰিক সন্থা, মিকিৰভেটা অৱসৰপ্ৰাপ্ত শিক্ষক-কৰ্মচাৰী সন্থা, হেকুডাংবৰী ব্ৰাহ্মণ সমাজ, বৰভগীয়া ব্ৰাহ্মণ সমাজ আদি অনুষ্ঠান-প্ৰতিষ্ঠানে গভীৰ শোক প্ৰকাশ কৰে। মৃত্যুৰ সময়ত তেওঁ পত্নী আৰু এগৰাকী পুত্ৰৰ লগতে আত্মীয়-স্বজন এৰি থৈ যায়।



জাগীৰোডৰ ৰাস মহোতসৱত মন্ত্ৰী পীযুষ হাজৰিকা, ফটো শুকুৰ বাৰৰ

## নিমন্ত্ৰণৰ নামত চৰম অৱজ্ঞা! লাহোৱাল প্ৰেছ ক্লাবৰ সিদ্ধান্ত

# প্ৰশাসনে আয়োজন কৰা প্ৰেছ দিৱসৰ কাৰ্যসূচী বৰ্জন

**ই-সংবাদ, লাহোৱাল, ১৫ নৱেম্বৰঃ** ১৬ নৱেম্বৰত ডিব্ৰুগড় জিলা প্ৰশাসনে অনুষ্ঠিত কৰা ৰাষ্ট্ৰীয় প্ৰেছ দিৱস বৰ্জনৰ ঘোষণা কৰিছে লাহোৱাল প্ৰেছ ক্লাবে। ২৩ বৰ্ষ গড়কা লাহোৱাল প্ৰেছ ক্লাৱক ডিব্ৰুগড় জিলা প্ৰশাসন তথ্য আৰু জনসংযোগ বিষয়াই ইচ্ছাকৃত আৰু উদ্দেশ্য প্ৰণোদিতভাৱে ৰাষ্ট্ৰীয় প্ৰেছ দিৱসৰ কাৰ্যসূচীলৈ নিমন্ত্ৰণৰ নামত চৰম অৱজ্ঞা কৰা বুলি অভিযোগ আনি ডিব্ৰুগড় জিলা প্ৰশাসনে অনুষ্ঠিত কৰা ৰাষ্ট্ৰীয় প্ৰেছ দিৱস বৰ্জনৰ ঘোষণা কৰিছে। লাহোৱাল প্ৰেছ ক্লাবে কয় যে ঐতিহাসিক লাহোৱাল প্ৰেছ ক্লাবৰ সৈতে বহু সাংবাদিক আৰু সমাজৰ অগ্ৰণী ব্যক্তিৰ অশেষ কষ্ট আৰু ত্যাগ জড়িত হৈ আছে। বৃহৎ লাহোৱাল অঞ্চলৰ ৰাইজৰ লাহোৱাল প্ৰেছ ক্লাবৰ সৈতে আৱেগভাৱে জড়িত। ক্লাবৰ সভাপতি হোমেন ফুকন আৰু সম্পাদক দিবাকৰ দত্তই কয় যে এনে পৰিস্থিতিত ক্লাবটোক হেয়জ্ঞান কৰাটো কোনো কাৰণতে মানি ল'ব নোৱাৰিম। উল্লেখ্য যে, বিগত বৰ্ষতো লাহোৱাল প্ৰেছ ক্লাৱক নিমন্ত্ৰণ কৰা হোৱা নাছিল। জিলাখনৰ সকলো প্ৰেছ ক্লাৱক নিমন্ত্ৰণী পত্ৰত দিছিল যদিও লাহোৱাল প্ৰেছ ক্লাৱক নিমন্ত্ৰণী পত্ৰ দিয়া নাছিল। ক্লাবটোক লঘূ আৰু অপমানিত কৰাত প্ৰেছ ক্লাবৰ বিষয়-ববীয়া আৰু কৰ্মকৰ্তাই দুখ প্ৰকাশ কৰিছে। উল্লেখ্য যে ৰাষ্ট্ৰীয় প্ৰেছ দিৱসৰ দিনটোত লাহোৱাল প্ৰেছ ক্লাবে এক ব্যতিক্ৰমী অনুষ্ঠানৰ আয়োজন কৰিছে। এক কাৰ্যসূচী যোগে ভূষণজ্যোতি সন্দিকৈ, ইকৰাম আলি, কনৌজ শইকীয়া, ৰমেশ হাজৰিকা প্ৰমুখ্যে ডিব্ৰুগড়ৰ চাৰিগৰাকী জ্যেষ্ঠ সাংবাদিকক সম্বৰ্ধনা জনোৱা হ'ব বুলি জনিবলৈ দিয়ে।

# এনাজৰী ফাউণ্ডেচনৰ উদ্যোগত শিশু দিৱস উদযাপন

**ই-সংবাদ, সৃজনগ্ৰাম, ১৫ নৱেম্বৰঃ** বঙাইগাঁও জিলাৰ অভয়াপুৰীৰ বে-চৰকাৰী সংস্থা 'এনাজৰী ফাউণ্ডেচন'ৰ উদ্যোগত আৰু ছাই এগ্ৰোৰ সহযোগত শিশু দিৱস উপলক্ষে বঙাইগাঁও জিলা ভিত্তিত চিত্ৰাংকন প্ৰতিযোগিতাৰ আয়োজন কৰা হয়। পুৱা ৯ বজাৰ পৰা অনুষ্ঠিত হোৱা চিত্ৰাংকন প্ৰতিযোগিতাৰ পিছতে দুপৰীয়া ১২ বজাৰ পৰা মুকলি সভা আৰু বঁটা বিতৰণী সভা অনুষ্ঠিত হয়। জ্যেষ্ঠ সাংবাদিক বিনোদ বিহাৰী নাথে আঁত ধৰা অনুষ্ঠাত মুখ্য অতিথি হিচাপে উপস্থিত থাকে অভয়াপুৰী সমজিলাৰ কাৰ্যবাহী দণ্ডাধীশ তথা সহকাৰী আয়ুক্ত শ্ৰেয়া ঘোষ, গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অধিবক্তা পাৰভেজ ৰহমান, অভয়াপুৰী মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যাপিকা ড০ মৰমী বৰঠাকুৰ তালুকদাৰ, লোক নিৰ্মাণ বিভাগৰ সহকাৰী অভিযন্তা জয়নাল আবেদিন শিকদাৰ, মাকা একাডেমীৰ অধ্যক্ষ বাবুল আকতাৰ, দেৰদাৰু একাডেমীৰ অধ্যক্ষ আব্দুল বাতিন, বঙাইগাঁও জিলা যুব কংগ্ৰেছৰ সাধাৰণ সম্পাদক মহিবুল চিত্ৰাংকন প্ৰতিযোগিতাৰ বিচাৰক তথা চিলাৰায় আৰ্ট একাডেমীৰ অধ্যক্ষা মিতা সৰকাৰ। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰি এনাজৰী ফাউণ্ডেচনৰ পৰিচালক তথা সাংবাদিক ইনামুল আহমেদে শিশু দিৱসৰ তাৎপৰ্য ব্যাখ্যা কৰাৰ লগতে আৰু কয় যে আমি শিশুসকলক মানসিক আৰু শাৰীৰিকভাৱে সুস্থ আৰু সবল কৰি ৰাখিবলৈ তেওঁলোকক কিছু প্ৰিয় কৰ্মৰাজিৰ সৈতে জড়িত হৈ থাকিবলৈ দিয়াটো অত্যন্ত আৱশ্যক। ছবি আঁকিবলৈ শিকাৰ সুফল বহুত। ভাল ছবি আঁকা মানুহ এজন সদায় সংবেদনশীল মনৰ গৰাকী হয়। তেওঁ স'ততে আনৰ প্ৰতি সহৃদয় হয় আৰু সংবেদনশীল হোৱা বাবে সমাজখনৰ প্ৰতিও দায়বদ্ধ হয়। এজন ছবি আঁকা মানুহ সদায় সুৰুচিশীল হয়। ঘৰখন, বাৰীখন, চৌপাশৰ পৰিৱেশটো ৰুচিপূৰ্ণভাৱে গঢ় দিবলৈ তেওঁ সততে আগ্ৰহী হয়। আনহাতে, ভৱিষ্যতে বিজ্ঞান শাখাত পঢ়িবলৈ আগ্ৰহী ছাত্ৰ এজনৰ বাবে ভাল ছবি আঁকা কথাটো কিমান গুৰুত্বপূৰ্ণ সেয়া আমাৰ অভিভাৱকক বুজোৱাৰ প্ৰয়োজন নাই। সেয়ে ছবি আঁকিবলৈ শিকা আৰু ভাল ছবি আঁকিবলৈ জনাৰ সুফল বহুতো। এনাজৰী ফাউণ্ডেচনৰ উদ্যোগত আয়োজিত চিত্ৰাংকন প্ৰতিযোগিতাৰ 'ক' শাখাত প্ৰথম স্থান - তৃষা দে (দ্বিতীয় শ্ৰেণী), দ্বিতীয় স্থান - শিখা চৌধুৰী (দ্বিতীয় শ্ৰেণী), তৃতীয় স্থান - নিয়ন বেনাৰ্জী (দ্বিতীয় শ্ৰেণী), 'খ' শাখাত প্ৰথম স্থান - কবিস্মিতা সৰকাৰ (পঞ্চম শ্ৰেণী), দ্বিতীয় স্থান - জশৰাজ ৰাজবংশী (চতুৰ্থ শ্ৰেণী), তৃতীয় স্থান - মৃন্ময় মণ্ডল (ষষ্ঠ শ্ৰেণী), 'গ' শাখাত প্ৰথম স্থান- ডলি মণ্ডল (নৱম শ্ৰেণী), দ্বিতীয় স্থান- ছুহানা আহমেদ (অষ্টম শ্ৰেণী), তৃতীয় স্থান- লাভলী ৰায় (অষ্টম শ্ৰেণী)-এ লাভ কৰে। ইপিনে, আমন্ত্ৰিত অতিথিসকলেও শিশু দিৱস উপলক্ষে নিজৰ নিজৰ ভাষণ আগবঢ়ায়। শেষত এনাজৰী ফাউণ্ডেচনৰ হৈ পৰিচালক আশ্ৰাফুল আহমেদ, মুস্তফিজুৰ ৰহমান, সদস্য আৰিফুল ইছলাম, ৰোজ আলী, মোস্তাফিজুৰ ৰহমানে সকলোকে আন্তৰিক ধন্যবাদ তথা কৃতজ্ঞতা জ্ঞাপন কৰে।

# তামুলপুৰৰ কুমাৰীকাটাত বীৰ বিৰছা মুণ্ডাৰ জন্ম জয়ন্তী উদযাপন

**ই-সংবাদ, তামুলপুৰ, ১৫ নৱেম্বৰঃ** তামুলপুৰ জিলাৰ ভাৰত-ভূটান সীমান্তৰ কুমাৰীকাটা চেগুনবাৰীত কুমাৰীকাটা আঞ্চলিক মুণ্ডাৰী সাহিত্য সভা আৰু সদৌ অসম আদিবাসী ছাত্ৰ সন্থা কুমাৰীকাটা আঞ্চলিক সমিতিৰ যৌথ উদ্যোগত আৰু ৰাইজৰ সহযোগত এদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে স্বাধীনতা সংগ্ৰামী বীৰ শ্বহীদ বীৰ বিৰছা মুণ্ডাৰ ১৪৯ সংখ্যাক জন্মজয়ন্তী পালন কৰা হয়। কাৰ্যসূচী অনুসৰি পুৱা ৭.৩০ বজাত অভ্যৰ্থনা সমিতিৰ পতাকা উত্তোলন কৰে অভ্যৰ্থনা সমিতিৰ সভাপতি বলজিৎ সিং গৌড়ে, পুৱা ৭.৪৫ বজাত মুণ্ডাৰী সাহিত্য সভাৰ পতাকা উত্তোলন কৰে কুমাৰীকাটা আঞ্চলিক মুণ্ডাৰী সাহিত্য সভাৰ সভাপতি বীৰেন্দ্ৰ মুণ্ডাই। পুৱা ৮ বজাত আদিবাসী ছাত্ৰ সন্থাৰ পতাকা উত্তোলন কৰে সদৌ অসম আদিবাসী ছাত্ৰ সন্থা কুমাৰীকাটা আঞ্চলিক সমিতিৰ সভাপতি জৰ্নেল ধানোৱাৰে। পুৱা ৮.৩০ বজাত বীৰ বিৰছা মুণ্ডাৰ প্ৰতিমূৰ্তিত মাল্যাৰ্পণ আৰু স্মৃতি তৰ্পণ কৰে গণেশগুৰি আদিবাসী কলনী প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক বিকেল কিস্কুয়ে। পুৱা ৯ বজাত বৃক্ষৰোপণ কাৰ্যসূচী অনুষ্ঠিত হয়। পুৱা ৯.৩০ বজাত ধনু-কাড় খেল প্ৰতিযোগিতা অনুষ্ঠিত হয়। উক্ত খেল উদ্বোধন কৰে বাক্সা জিলা চান্থালী সাহিত্য সভাৰ সাংগঠনিক সম্পাদক দক্ষিণ হেমৰমে। তাৰ পিছতে ১ বজাৰ পৰা মুকলি সভা অনুষ্ঠিত হয়। অভ্যৰ্থনা সমিতিৰ সভাপতি বলজিৎ সিং গোড়ৰ সভাপতিত্ব অনুষ্ঠিত মুকলি সভা উদ্বোধন কৰে বাক্সা জিলা চান্থালী সাহিত্য সভাৰ সভাপতি বকুল মাৰ্ডীয়ে। অনুষ্ঠানত অভ্যৰ্থনা সমিতিৰ সম্পাদক জেচাই বাগে আদৰণি ভাষণ প্ৰদান কৰি তেওঁ কয় যে আমাৰ জনগোষ্ঠীৰ মাজত বীৰ পুৰুষ এজনৰ জন্ম হৈছে। বিৰছা মুণ্ডাৰ কাৰণে আজি আদিবাসী ৰাইজৰ এটা চিনাকি আছে। অসমতে হওক অথবা ভাৰতৰ চুকে কোণে হওক। সভাত নিৰ্দিষ্ট বক্তা হিচাপে কুমাৰীকাটা ৰাজ্যিক চিকিৎসালয়ৰ স্বাস্থ্য বিষয়া ডাঃ কৰ্ণ নাগ উপস্থিত থাকি তেওঁ কয় যে আজিৰ আমাৰ নিজৰ জনগোষ্ঠীৰ মাজত সেই সময়ত যে মহান পুৰুষৰ জন্ম হৈছিল, তাক আমি সকলোৱে শলাগ ল'ব লাগিব। আৰু সেই মহান পুৰুষৰ বলিদান তেখেতৰ যি কষ্ট, তেখেতে যি নীতি আদৰ্শ দি গৈছে কেৱল মুণ্ডা জনগোষ্ঠীয়ে নহয় কেৱল ভাৰতবৰ্ষয়ে নহয় গোটেই বিশ্বত আমি তেখেতক স্মৰণ কৰিব লাগিব। সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকে তামুলপুৰ ৰাজহ চক্ৰৰ চক্ৰ বিষয়া ইলিমা কাণ্ডুলনায়ে বীৰ বিৰছা মুণ্ডাৰ বিষয়ে সাৰুৱা ভাষণ প্ৰদান কৰে। আজিৰ সভাত আমন্ত্ৰিত অতিথি হিচাপে তামুলপুৰ জিলা অবিচি বোৰ্ডৰ অধ্যক্ষ খগেন দাস পানিকা, অবিভক্ত নলবাৰী জিলা আছাৰ প্ৰাক্তন সভাপতি পৰমেশ্বৰ বাস্কে, বাক্সা জিলা ছাত্ৰ সন্থাৰ প্ৰাক্তন সভাপতি গোবিন্দ শৰণীয়া, তামুলপুৰ জিলা আদিবাসী ছাত্ৰ সন্থাৰ সভাপতি ৰাজু ভেংৰা, তামুলপুৰ জিলা কুঁড়ুখ সাহিত্য সভাৰ সভাপতি জোনাচ তিগ্ৰা, বাক্সা জিলা চাহ জনজাতি ছাত্ৰ সন্থাৰ ধনুষ মাহালীৰ লগতে কেইবাগৰাকী বিশিষ্ট ব্যক্তিৰ লগতে সহস্ৰাধিক লোক উপস্থিত থাকে।

# ডিব্ৰুগড়ত নিচাযুক্ত দ্ৰব্য বিৰোধী সম্পৰ্কীয় কৰ্মশালা সম্পন্ন

**ই-সংবাদ, ডিব্ৰুগড়, ১৫ নৱেম্বৰঃ** অসম চৰকাৰৰ সামাজিক ন্যায় আৰু সবলীকৰণ বিভাগৰ উদ্যোগত আৰু ক'ছেডা (চিঅ'এছ এইচইডিএ)ৰ যৌথ সহযোগত ছপা আৰু বৈদ্যুতিন মাধ্যমৰ সাংবাদিকসকলক লৈ নিচাযুক্ত দ্ৰব্য আৰু প্ৰতিৰোধী আইন আৰু ইয়াৰ প্ৰয়োগ সম্পৰ্কীয় কেপাচিটি বিল্ডিঙৰ এখনি গুৰুত্বপূৰ্ণ কৰ্মশালা বৃহস্পতিবাৰে ডিব্ৰুগড়ৰ হোটেল গাৰ্ডেনট্ৰিটত অনুষ্ঠিত হৈ যায়। সভাখনত মুখ্য অতিথি হিচাপে ৰাজ্যিক নিচাযুক্ত আৰু মাদক দ্ৰব্যৰ নিবাৰণী পৰিষদৰ উপ-সভাপতি জিতু বৰগোহাঁই, অৱসৰপ্ৰাপ্ত ন্যায়াধীশ বিনোদ চন্দ্ৰ উপস্থিত থাকি বক্তব্য আগবঢ়ায়। অসমৰ সাতখন জিলা ক্ৰমে ডিব্ৰুগড়, তিনিচুকীয়া, চৰাইদেউ, শিৱসাগৰ, ধেমাজি, লক্ষীমপুৰ আৰু বিশ্বনাথ চাৰিআলিৰ বিভিন্ন স্থানৰ মুঠ ১০৫ জন সাংবাদিকৰ অনুষ্ঠিত উক্ত কৰ্মশালাত সমল ব্যক্তি হিচাপে ভাৰত চৰকাৰৰ এম.এছ.জে.ইৰ অন্তৰ্গত নেচনেল ড্ৰাগ ছাৰ্ভেৰ অসম ৰাজ্যিক সংযোজক ডাঃ সন্দীপ হাণ্ডেই অসমত মাদক দ্ৰব্য ব্যৱহাৰৰ পৰিসৰ আৰু মহামাৰী আৰু অবৈধ ড্ৰাগছৰ ধাৰণাৰ ক্ষতিকাৰক প্ৰভাৱৰ ওপৰত বিস্তৃতভাৱে বক্তব্য দাঙি ধৰে। এই দিশত সাংবাদিকসকলৰ দায়িত্ব সম্পৰ্কেও অৱগত কৰাৰ লগতে প্ৰতিখন জিলাত জিলা মনিটৰিং কমিটীত সাংবাদিকক এগৰাকী সদস্য হিচাপে অন্তৰ্ভুক্ত কৰা



হ'ব বুলিও অৱগত কৰে। সমল ব্যক্তি কেইগৰাকীয়ে সাংবাদিকসকলে বিষয়টোৰ সম্পৰ্কে সোধা বিভিন্ন প্ৰশ্নৰো উত্তৰ দিয়ে। কৰ্মশালাখনিৰ আঁত ধৰে ভাৰত চৰকাৰৰ সামাজিক ন্যায় আৰু সবলীকৰণ মন্ত্ৰালয়ৰ ড্ৰাগ প্ৰিভেনচন প্ৰকল্পৰ অসম-মেঘালয়ৰ সংযোজক আনম ৰিয়া বৰুৱাই।

## সম্প্ৰীতিৰ উৎকৃষ্ট নিদৰ্শন

# বটদ্ৰৱাত হিন্দু-মুছলমান ছাত্ৰ-ছাত্ৰীৰ কেলিগোপাল নাট পৰিৱেশন



**ই-সংবাদ, বেৰেজীয়া, ১৫ নৱেম্বৰঃ** 'শৰৎ কালৰ ৰাত্ৰি অতি বিতোপন, ৰাস ক্ৰীড়া কৰি দেখি কৃষ্ণৰ ভৈল মন' । ৰাজ্যৰ সৰ্বত্ৰে এতিয়া শ্ৰীশ্ৰী কৃষ্ণৰ ৰাসযাত্ৰা মহোৎসৱৰ ব্যাপক উচাহ-উদ্দীপনা। উজনি কি নামনি সকলোতে শ্ৰীশ্ৰী কৃষ্ণৰ ৰাসলীলাক কেন্দ্ৰ কৰি দেখা গৈছে পাৰভগা আনন্দ আৰু উল্লাস। একপ্ৰকাৰে এই পৱিত্ৰ অনুষ্ঠানত বিধৌত হৈছে সমগ্ৰ ৰাজ্য। কৃষ্ণ বন্দনাৰে মুখৰিত হৈ পৰিছে আকাশ-বতাহ। ইয়াৰ ব্যতিক্ৰম নহয় মধ্য অসমৰ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ গুৰুজনাৰ পৱিত্ৰ জন্মভূমি বটদ্ৰৱা অঞ্চলো। ৰাস উৎসৱক কেন্দ্ৰ কৰি গুৰুজনাৰ জন্মভূমিতো বিয়পি পৰিছে আনন্দ-উছাহ। ইয়াৰ মাজতে ৰাস মহোৎসৱক কেন্দ্ৰ কৰি বটদ্ৰৱাত দেখা গ'ল হিন্দু-মুছলমানৰ সম্প্ৰীতিৰ উৎকৃষ্ট নিদৰ্শন। আচলতে, শ্ৰীমন্ত শংকৰদেৱ গুৰুজনাৰ অমৰ সৃষ্টি 'কেলিগোপাল' নাটত একেলগে হিন্দু আৰু মুছলমান ধৰ্মৰ ছাত্ৰ-ছাত্ৰীয়ে ভাগ লৈ সমাজলৈ প্ৰেৰণ কৰিলে সম্প্ৰীতিৰ বাৰ্তা। উল্লেখ্য যে, ৰাস মহোৎসৱ উপলক্ষে বটদ্ৰৱা জাতীয় বিদ্যালয়ৰ বাকৰিত হিন্দু-মুছলমান ধৰ্মাৱলম্বী ছাত্ৰ-ছাত্ৰীসকলৰ দ্বাৰা পৰিৱেশন কৰা হয় 'কেলিগোপাল' নাটখনি। য'ত জাতি-ধৰ্ম নিৰ্বিশেষে অভিনয় কৰে সুগন্ধা গোস্বামী, দৰ্শনা বৰা, ফাৰিহা জামান, অল্লানজ্যোতি কলিতা, দিপীকা বৰুৱা, চুহানা আহমেদ আদিকে প্ৰমুখ্য কৰি শিক্ষানুষ্ঠানখনৰ একাংশ শিক্ষাৰ্থীয়ে। আনকি শিক্ষাৰ্থীসকলৰ নিপুণ আৰু সাৱলীল অভিনয়েৰে প্ৰদৰ্শিত 'কেলিগোপাল' নাটখন উপভোগ কৰি দৰ্শকসকল মন্ত্ৰমুগ্ধ হৈ পৰে। যাক কেন্দ্ৰ কৰি শিক্ষানুষ্ঠানখনৰ চৌহদত এক উখল-মাখল পৰিৱেশৰ সৃষ্টি হয়। নাটখনি প্ৰদৰ্শনৰ পূৰ্বে শিক্ষানুষ্ঠানখনৰ অধ্যক্ষ দিলীপ চন্দ্ৰ বৰাই আঁত ধৰা এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত নাটৰ শুভাৰম্ভ কৰে নগাঁও জিলা জাতীয় বিদ্যালয় সমন্বয়ৰক্ষী সমিতিৰ সভাপতি সুনীল বৰাই। এই নাট্যানুষ্ঠানত ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী, অভিভাৱক, অতিথিসহ সহস্ৰাধিক লোক উপস্থিত থাকি নাটখন উপভোগ কৰে।

# জগতগুৰুত শংকৰদেৱৰ সৃষ্টি দক্ষিণ ভাৰতৰ মন্দিৰত বন্দনা

## বটদ্ৰৱাৰ ভকত-বৈষ্ণৱৰ আদৰণি

**ই-সংবাদ, বেবেজীয়া, ১৫ নৱেম্বৰঃ** অসমৰ জাতীয় জীৱনক নতুন ৰঙেৰে সজাই সাহিত্য সংস্কৃতিৰ বৰভেটি প্ৰতিষ্ঠা কৰা জগতগুৰু শংকৰৰ জীৱনৰ প্ৰথমটো কাব্যধৰ্মী গীত শেহতীয়াভাৱে দক্ষিণ ভাৰতত প্ৰচলিত হৈছে। যাক লৈ সৰ্বত্ৰে ব্যাপক চৰ্চা চলা পৰিলক্ষিত হৈছে। আচলতে বিগত কিছুদিনৰ পৰা দক্ষিণ ভাৰতৰ মন্দিৰত পণ্ডিতসকলে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিৰচিত তেৰাৰ প্ৰথম সৃষ্টি "কৰ তল কমল কমল কমল দল নয়ন" শীৰ্ষক কবিতাটো ভগৱান বন্দনাৰ পৱিত্ৰ কাৰ্যত উচ্চাৰিত কৰাৰ দৃশ্য ভাইৰেল হৈ পৰিছে। ফলত এই বিষয়টোয়ে অসমৰ ৰাইজক উৎফুল্লিত কৰি তোলাৰ বিপৰীতে এই কাৰ্যক আদৰণি জনাইছে মহাপুৰুষ গুৰুজনাৰ পৱিত্ৰ জন্মস্থান বটদ্ৰৱাৰ ভকত-বৈষ্ণৱসকলে। আনকি বটদ্ৰৱা থান পৰিচালনা সমিতিয়ে গুৰুজনাৰ সৃষ্টিৰাজি ভাৰতৰ আন আন ৰাজ্যত প্ৰচাৰ প্ৰসাৰ হোৱাত চৰম সন্তুষ্টি প্ৰকাশ কৰিছে শ্ৰী শ্ৰী বটদ্ৰৱা থান পৰিচালনা সমিতিয়ে।
বটদ্ৰৱা থান পৰিচালনা সমিতিৰহৈ সভাপতি যোগেন্দ্ৰ নাৰায়ণ দেৱ মহন্ত, উপ-সভাপতি অম্লানজ্যোতি দেৱ গোস্বামী, কাৰ্যকৰী সভাপতি প্ৰভাত কলিতা, সাধাৰণ সম্পাদক টিকেন্দ্ৰজিৎ দেৱ গোস্বামী, কোষাধ্যক্ষ তপন কুমাৰ দাস, সদস্য বাবুল হাজৰিকা গায়ন, কল্যাণ কলিতা, ৰত্নেশ্বৰ বায়ন, সাংবাদিক কন্দৰ্প কুমাৰ কলিতা, অমৰজ্যোতি কলিতা জগন্নাথ কলিতা, হৰেন্দ্ৰ বনিককে প্ৰমুখ্য কৰি বিভিন্নজনে আদৰণি জনাইছে। লগতে বটদ্ৰৱা থান পৰিচালনা সমিতিয়ে অসম চৰকাৰক গুৰুজনাৰ সৃষ্টিৰাজি প্ৰচাৰ প্ৰসাৰৰ ক্ষেত্ৰত উন্নত পদক্ষেপ গ্ৰহণৰ আহ্বান জনাইছে। ইফালে, মহাপুৰুষ গুৰুজনাৰ সৃষ্টিক কোমল গীত হিচাপে গোৱা "কৰতল কমল" গীতটি দক্ষিণ ভাৰতত মন্দিৰৰ ভগৱান বন্দনাত ব্যৱহৃত হোৱাটো অসমীয়া জাতীয় জীৱনৰ বাবে শুভ লক্ষণ বুলি অভিহিত কৰাৰ লগতে এয়া অসমীয়া জাতিৰ বাবে গৌৰৱৰ অধ্যায় হিচাপে অভিহিত কৰিছে বটদ্ৰৱা থান পৰিচালনা সমিতিয়ে।



দলীয় শক্তি বৃদ্ধি, শদিয়াত বিধায়ক তথা ৰাইজৰ দলৰ সভাপতি অখিল গগৈ

# বৰঘৈ ৰাস মহোৎসৱৰ শুভাৰম্ভ, বিশেষ আকৰ্ষণ বিদ্যুৎ চালিত চন্দ্ৰযান

**ই-সংবাদ, হাজো, ১৫ নৱেম্বৰঃ** কামৰূপ জিলাৰ অন্তৰ্গত তীৰ্থনগৰী হাজোৰ বৃহত্তৰ বৰঘৈ আঞ্চলিক ৰাইজৰ উদ্যোগত পৰম্পৰাগতভাৱে চলি অহা বৰঘৈ আঞ্চলিক ৰাস মহোৎসৱ আজি শুভাৰম্ভ কৰা হয়। বৰঘৈৰ বৃহত্তৰ অঞ্চলৰ শতাধিক তোৰণ আৰু কল্কাৰে সুসজ্জিত কৰি গঢ়ি তোলাৰ লগতে ৰাস মহোৎসৱস্থলী বৰঘৈ লখাইতৰা বাকৰি আলোকসজ্জাৰে সজাই-পৰাই তোলা হৈছে। ইফালে, এইবেলি ৰাস মহোৎসৱস্থলীত স্থাপন কৰা বিদ্যুৎ চালিত চন্দ্ৰযান, বৃন্দাবন-অনন্ত শয়ন বিশেষ আকৰ্ষণ হিচাপে বিবেচিত হোৱাৰ লগতে অৰ্ধশতাধিক মৃন্ময় মূৰ্তি, বাৰ্ণিজ্য মেলা আৰু আনন্দ মেলাৰে আকৰ্ষণীয় কৰি তুলিছে। ৰাস মহোৎসৱৰ কাৰ্যসূচী অনুসৰি আজিৰ পুৱাৰ ভাগত ধৰ্মধ্বজা উত্তোলন কৰে ঐতিহাসিক হৰগৌৰী মন্দিৰৰ পূজাৰী ধৰ্মৰাম কলিতা বৈষ্ণৱে, ৰাস মহোৎসৱৰ পতাকা উত্তোলন কৰে উদযাপন সমিতিৰ সভাপতি নগেন চন্দ্ৰ দাসে, স্বচ্ছ অভিযান উদ্বোধন কৰে অৱসৰপ্ৰাপ্ত কৃষি বিষয়া অনিল চন্দ্ৰ ডেকাই। ইফালে, সন্ধিয়া ৰাস মহোৎসৱৰ মুখ্যদ্বাৰ মুকলি কৰে কমলপুৰ বিধানসভা সমষ্টিৰ বিধায়ক দিগন্ত কলিতাই, প্ৰতিমা-মৃন্ময় মূৰ্তিৰ মণ্ডপ উদ্বোধন কৰে কাৰ্যকৰী সভাপতি কাশ্যপ কলিতাই। ইয়াৰ পিছতে বন্তি প্ৰজ্বলন কৰে বৃহত্তৰ বৰঘৈ ৰ একাংশ বিশিষ্ট ব্যক্তিয়ে।

# চতেমাৰীৰ জগন্নাথ মন্দিৰৰ ষষ্ঠ বাৰ্ষিক উৎসৱ উদযাপন

**ই-সংবাদ, মুকালমুৱা, ১৫ নৱেম্বৰঃ** নলবাৰী জিলাৰ মুকালমুৱাৰ চতেমাৰীস্থিত শ্ৰীশ্ৰী জগন্নাথ মন্দিৰৰ ৬ সংখ্যক বাৰ্ষিক উৎসৱ আজি দিনজোৰা বিস্তৃত কাৰ্যসূচীৰে উদযাপন কৰা হয়। পুৱাৰে পৰা বন্তি প্ৰজ্বলন, ধৰ্মধ্বজা উত্তোলন, ভাগৱত শোভাযাত্ৰাকে ধৰি বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত কৰা হয়। ৬ সংখ্যক বাৰ্ষিক উৎসৱত পাঁচ শতাধিক ভক্তপ্ৰাণ ৰাইজৰ সমাগম হয়। আয়তীৰ নাম প্ৰসংগ, ভোগ বিতৰণৰ লগতে নিশা নাগাৰা নাম পৰিৱেশ অনুষ্ঠিত কৰা হ'ব বুলি জানিবলৈ দিয়ে উদ্যোগতা সমিতিয়ে। অনুষ্ঠানটোত নিশা নাম পৰিৱেশন কৰিব নাগাৰা নামৰ পাঠক বেদান্ত হালৈ আৰু ৰামচৰণ কলিতাই। ভাগৱত শোভাযাত্ৰাত গাঁওখনৰ আবাল-বৃদ্ধা, যুৱক-যুৱতীয়ে অংশগ্ৰহণ কৰি ভক্তিৰসৰে জীপাল কৰে সমগ্ৰ গাঁওখন।

# এজাক শিশুৰ গীত-মাত, নৃত্যৰে মুখৰিত হ'ল ডুমডুমা শাখা সাহিত্য সভা ভৱন

**ই-সংবাদ, ডুমডুমা, ১৫ নৱেম্বৰঃ** ডুমডুমা শতদল শাখা সাহিত্য সভা আৰু ডুমডুমা শাখা মইনা পাৰিজাতৰ যুটীয়া উদ্যোগত তথা 'ৰাৱিয়ৰ্ছ'ৰ ডুমডুমা আঞ্চলিক সমিতিৰ সহযোগত কালি বিয়লি ইয়াৰ আজাদ ৰোডস্থিত ডুমডুমা শাখা সাহিত্য সভা ভৱনত অনুষ্ঠিত হোৱা শিশু দিৱসৰ কাৰ্যসূচীত এজাক প্ৰতিভা সম্পন্ন শিশুৰ গীত- মাত, নৃত্যৰে মুখৰিত হৈ পৰে শাখাৰ ভৱন। স্বাধীন ভাৰতৰ প্ৰথমগৰাকী প্ৰধানমন্ত্ৰী পণ্ডিত জৱাহৰলাল নেহৰুৰ প্ৰতিচ্ছবিত ওপজা দিনৰ ওলগ জনাই এখনি ফুলাম গামোচাৰে মাল্যাৰ্পণ কৰে শিশু ভাস্কৰ হেমন্ত ৰাজ মৰাণে। শিশু তেজস্বী মহন্ত, ৰিচিকা শৰ্মা আৰু বৰিষ্ঠা ডেকাই অতি সুন্দৰভাৱে আঁত ধৰা অনুষ্ঠানটিত মইনা পাৰিজাত আৰু শাখা সাহিত্য সভাৰ প্ৰায় ২৫ গৰাকী শিশুৱে গীত, নৃত্য, কবিতা আবৃত্তি, দলীয় নৃত্য, সমবেত গীত পৰিৱেশন কৰি উপস্থিত ৰাইজৰ ভুয়সী প্ৰশংসা বুটলিবলৈ সক্ষম হয়। নন্দিকা ডেকাৰ এটি সৰস্বতী বন্দনাৰে আৰম্ভ কৰা অনুষ্ঠানত সমল ব্যক্তি হিচাপে উপস্থিত থাকি শিশুসকলৰ বিকাশ, অধিকাৰ আৰু ভৱিষ্যৰ সম্ভাৱনাময় একো একোজন দেশৰ নাগৰিক হোৱাৰ ক্ষেত্ৰত সমাজৰ দায়িত্ব সন্দৰ্ভত আলোকপাত কৰে শিশু ভাস্কৰ হেমন্ত ৰাজ মৰাণ আৰু অসম চৰকাৰৰ শিশু সুৰক্ষা আৰু অধিকাৰ আয়োগৰ প্ৰাক্তন সদস্য ডঃ পিলু হাজৰিকাই। দুয়োগৰাকীকে একোখনকৈ ফুলাম গামোচা, সম্বৰ্ধনা পত্ৰ আৰু একোটিকৈ কিতাপৰ টোপোলাৰে সম্বৰ্ধনা জ্ঞাপন কৰে।

# গায়ন-বৈৰাগী গাঁৱত পুৰণিগুদাম ৰাস মহোৎসৱৰ মহাৰজত জয়ন্তী বৰ্ষ

**ই-সংবাদ, পুৰণিগুদাম, ১৫ নৱেম্বৰঃ** নগাঁও জিলাৰ ঐতিহ্যমণ্ডিত পুৰণিগুদাম গায়ন-বৈৰাগী গাঁৱৰ বৰনামঘৰত চাৰিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে আয়োজন কৰা পুৰণিগুদাম আঞ্চলিক শ্ৰীশ্ৰীকৃষ্ণ ৰাস মহোৎসৱৰ মহাৰজত বৰ্ষৰ সামৰণি অনুষ্ঠানৰ আজি প্ৰথম দিনটোত মাংগলিক এক দৃষ্টিনন্দন পৰিৱেশে বিৰাজ কৰিছে। আজি পুৱা ৫-৩০ বজাত প্ৰাতঃপ্ৰসঙ্গৰে ভক্তিপূৰ্ণ এক পৰিৱেশ ৰচনা কৰি বৃহত্তৰ অঞ্চলটোৰ উন্নৈছখনকৈ গাঁৱৰ ৰাইজ-গোপিনীয়ে পাৰস্পৰিক সহায় আৰু সহযোগিতাৰে নৱপ্ৰজন্মৰ সন্মুখত এক নিদৰ্শন দাঙি ধৰা পৰিলক্ষিত হয়। পুৰণিগুদাম আঞ্চলিক শ্ৰীশ্ৰীকৃষ্ণ ৰাস মহোৎসৱৰ মহাৰজত বৰ্ষৰ সামৰণি অনুষ্ঠানৰ লগত সংগতি ৰাখি নগাঁও জিলা তথা বৃহত্তৰ অঞ্চলটোৰ বিভিন্ন ক্ষেত্ৰৰ লগত জড়িত ছয়সত্তৰ গৰাকী বিশিষ্ট ব্যক্তিয়ে ৭৬ খন ধৰ্মধ্বজা উত্তোলনেৰে চাৰিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। ৰাসোৎসৱ উদযাপন সমিতিৰ সভাপতি, প্ৰাক্তন মন্ত্ৰী, অধ্যাপক গিৰীন্দ্ৰ কুমাৰ বৰুৱা, সাহিত্যিক পেঞ্চনাৰ ফণীন্দ্ৰ নাথ গায়ন, সমাজসেৱক লক্ষেশ্বৰ গায়নকে ধৰি ৭৬ গৰাকী বিশিষ্ট ব্যক্তিয়ে ধৰ্মধ্বজা উত্তোলন কৰে। ধৰ্মধ্বজা উত্তোলনৰ সময়ত নিবেদিতা গায়নে সংস্কৃত শ্লোক "কৃষ্ণ বন্দনা" কৰে আৰু সকলোৰে হৈ ৰাসোৎসৱ উদযাপন সমিতিৰ সভাপতি, প্ৰাক্তন মন্ত্ৰী,অধ্যাপক গিৰীন্দ্ৰ কুমাৰ বৰুৱাই সুন্দৰ এক ভাষণ প্ৰদান কৰে।পৰৱৰ্তী সময়ত ৰাসোৎসৱ উদ্‌যাপন সমিতিৰ কাৰ্যকৰী সভাপতি সদ্যপ্ৰয়াত পূৰ্ণচন্দ্ৰ গায়ন প্ৰমুখ্য সুদীৰ্ঘকাল উক্ত অনুষ্ঠানৰ লগত জড়িতহৈ ইতিপূৰ্বে পৰলোকপ্ৰাপ্তি হোৱা আন্যান্য পুন্যাত্মাৰ পবিত্ৰ স্মৃতিত ৰূপায়ন কৰা হয় শ্ৰদ্ধাঞ্জলি অনুষ্ঠান। সম্পাদক দীপেন বৈৰাগীয়ে আঁত ধৰা অনুষ্ঠানটিত স্মৃতিচাৰণ বক্তৃতা প্ৰদান কৰে শিক্ষাবিদ ফণীন্দ্ৰ নাথ গায়নে আৰু এটি শ্ৰুতিমধুৰ সংস্কৃত শ্লোক আৰু এটি ঘোষা পৰিৱেশন কৰি উপস্থিত সকলোৰে হৈ আত্মিক বন্দনা কৰে ক্ৰমে, ৰঞ্জন বেজবৰুৱাআৰু সত্ৰাধিকাৰ কৃষ্ণ গোস্বামীয়ে। দিনৰ ১১-৩০ বজাত নামপ্ৰসঙ্গ অনুষ্ঠিত হয়। নামপ্ৰসংগৰ নামাচাৰ্য বিশিষ্ট কবি, সাহিত্যক তথা পুৰণিগুদাম লেটুগ্ৰাম সত্ৰৰ সত্ৰাধিকাৰ কৃষ্ণ গোস্বামী। বিশিষ্ট সমাজকৰ্মী আনন্দ শইকীয়াই সন্ধ্যা ৫ বজাত বন্তি প্ৰজ্বলন কৰে আৰু তাৰপিছতেই কৰা হয় শ্ৰী শ্ৰীকৃষ্ণৰ ৰাসলীলা ভাওনা প্ৰদৰ্শন। উক্ত ভাওনাৰ উদ্বোধন কৰে বিৰিঞ্চি কুমাৰ বৰুৱা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° নৃপেন চন্দ্ৰ দাসে। কাইলৈ, ১৭ আৰু ১৮ নৱেম্বৰত মহাৰজত জয়ন্তী বিভিন্ন বৰ্ণাঢ্য সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হ'ব।

# বৰমাত নামঘৰ প্ৰতিষ্ঠা দিৱসত এটি পুথিভঁৰাল উন্মোচন

**ই-সংবাদ, বৰমা, ১৫ নৱেম্বৰঃ** বৰমা আশ্ৰম চুপা নামঘৰৰ প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি এটি পুথিভঁৰাল উন্মোচন কৰা হয়। পুথিভঁৰালটি উন্মোচন কৰে বৰমা লেখিকা সমাৰোহৰ সভানেত্ৰী ৰঞ্জনা তালুকদাৰে। পুথিভঁৰাল উন্মোচন কৰি দিয়া ভাষণত তেওঁ কয় যে বৰ্তমান সময়ত যুৱচামৰ মাজত পুথিৰ প্ৰতি আগ্ৰহ অনাৰ কাৰণে এনেধৰণৰ পুথিভঁৰালৰ আৱশ্যক আহি পৰিছে। কণ কণ শিশুসকলৰ মানসিক-বৌদ্ধিক বিকাশৰ কাৰণে পুথি অধ্যয়ন অতি গুৰুত্বপূৰ্ণ বুলিও তেওঁ কয়। উল্লেখ্য যে কানাডা নিবাসী তথা বৰমাৰ দিলীপ কুমাৰ শৰ্মা আৰু ৰঞ্জনা তালুকদৰৰ একমাত্ৰ কন্যা শান্ত্বনা শৰ্মা(পম্পী)ই এই পুথিভঁৰালটো ব্যক্তিগতভাৱে ৰাইজক আগবঢ়ায়। পুথিভঁৰালটোত ধৰ্মীয়, সামাজিক, শিশু উপযোগী বিভিন্ন গ্ৰন্থ দান কৰে। উক্ত অনুষ্ঠানত বৰমাৰ বিশিষ্ট ব্যক্তি মাধৱ চন্দ্ৰ শৰ্মা, ডাঃ বিপুল ভাগৱতী, দিলীপ কুমাৰ শৰ্মা, বিশিষ্ট কবি নৱ পৰশ, সগেন দাস, ফুকন দাসকে ধৰি বহু বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

# পৰাগজ্যোতি প্ৰকাশনৰ উদ্যোগত যোগেশ দাসৰ কাব্যগ্ৰন্থ 'পানীপিয়া পখীৰ বাসনা' উন্মোচন

**গুৱাহাটী, ১৫ নৱেম্বৰঃ** আজি সম্ভ্ৰান্ত প্ৰকাশন অনুষ্ঠান 'পৰাগজ্যোতি প্ৰকাশন'ৰ উদ্যোগত বিশিষ্ট কবি-সাহিত্যিক যোগেশ দাসৰ দ্বাদশ সংখ্যক গ্ৰন্থ 'পানীপিয়া পখীৰ বাসনা' গুৱাহাটী প্ৰেছ ক্লাবৰ সভাকক্ষত শুভ উন্মোচন কৰা হয়। জনপ্ৰিয় কণ্ঠশিল্পী ডিজেন কাকতিয়ে ড০ ভূপেন হাজৰিকাৰ এটি গীত পৰিৱেশন কৰি সভা মুকলি কৰা অনুষ্ঠানটিত গ্ৰন্থখনি উন্মোচন কৰে বিশিষ্ট সাহিত্যিক, চিন্তাবিদ, পঞ্জাৱ বিশ্ববিদ্যালয়ৰ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আসনৰ অধ্যাপক ড০ দয়ানন্দ পাঠকে। গ্ৰন্থ উন্মোচক ড০ পাঠকে কয় যে এই কবিতা পুথিখনৰ মাজেৰে কবিয়ে কাল্পনিক জগতখনৰ উপৰি সাম্প্ৰতিক ঘটনাৰাজিক অধিক স্পষ্টভাৱে ফুটাই তুলিবলৈ চেষ্টা কৰিছে। নিঃসন্দেহে এই কবিতা পুথিখনত পাঠক সমাজে নতুন সোৱাদ লাভ কৰিব পাৰিব। ভাষাৰ ওপৰত দখল থাকিলে উৎকৃষ্ট মানৰ কবিতা লিখিব পাৰে। শব্দ নিৰ্মাণ কৰিব পাৰিব লাগিব। সাধাৰণ পাঠকৰ বোধগম্য হোৱা কবিতা যুগে যুগে বৰ্তি থাকে। সুস্থ সমাজ নিৰ্মাণৰ বাবে কবিসকলে কবিতা লিখিব লাগে। পৰাগজ্যোতি প্ৰকাশনৰ সচিব, সাংবাদিক দীপক শৰ্মাই আঁত ধৰা অনুষ্ঠানত কামৰূপী লোকগীতৰ সম্ৰাজ্ঞী, গৱেষিকা ধনদা পাঠকে বিশিষ্ট অতিথিৰ ভাষণত কয় যে আজিৰ কিছুমান কবিতা বুজিবলৈকে টান। কিন্তু পুৰণি কবিসকলে লিখা কবিতাৰ যি ছন্দ, সেই ছন্দ আজিৰ কবিতাত বিচাৰি নাপাওঁ। আজিৰ একাংশই কেইটামান শব্দৰ সংযোগ কৰিয়ে অৰ্থহীনভাৱে এটা কবিতা লিখে। অনুষ্ঠআনত শিল্পী পাঠকে এটি লোকগীত পৰিৱেশন কৰি পৰিৱেশটো অধিক ৰসাল কৰি তোলে। আকাশবাণী আৰু দূৰদৰ্শনৰ অৱসৰপ্ৰাপ্ত অতিৰিক্ত সঞ্চালক প্ৰধান দেৱেন্দ্ৰনাথ বসুমতাৰীয়ে ভাষণ প্ৰসংগত কয় যে যি কবিৰ কবিতাত দেশপ্ৰেম, মানৱপ্ৰেম, প্ৰকৃতিপ্ৰেম নিহিত হৈ থাকে, সেই কবিক প্ৰজন্মৰ পৰা প্ৰজন্মলৈ মনত ৰাখে। বৰ্তমান সময়ৰ এই ভয়ানক সময়ত সাহিত্য সৃষ্টি, প্ৰকাশ বৰ জটিল হৈ পৰিছে। এনে সময়ত পৰাগজ্যোতি প্ৰকাশনে লোৱা প্ৰয়াসক সাহিত্য-বৌদ্ধিক সমাজে মনত ৰাখিব। বিশিষ্ট কবি-সাহিত্যিক কিশোৰ কুমাৰ জৈনে অতিথিৰ ভাষণত কয় যে মাটি-পানী, বায়ু, ওপজা ভূমিৰ ওপৰত যিকোনো লিখা দীৰ্ঘম্যাদী। আকাশবাণী, গুৱাহাটীৰ অৱসৰপ্ৰাপ্ত সঞ্চালক তথা বিশিষ্ট গৱেষক ড০ সূৰ্য দাসে সভাত অংশগ্ৰহণ কৰি শেহতীয়াকৈ অসমীয়া ভাষালৈ নামি অহা সংকট আৰু এচামৰ বাবে অসমীয়া ভাষা-সংস্কৃতি অৱনমিত হৈছে, তাৰ বিষয়ে বিষদভাৱে বৰ্ণনা কৰে। আজিৰ সময়ত কবিতা লিখিবলৈ বা ছবি আঁকিবলৈও ভয় বুলি উল্লেখ কৰি তেওঁ কয় যে লাহে লাহে অসমীয়া কোৱা, অসমীয়া লিখা মানুহৰ সংখ্যা কমি আহিছে। এইক্ষেত্ৰত আমি সকলোৰে সময় থাকোঁতেই সজাগ হোৱাৰ প্ৰয়োজন। শিশু শিল্পী পিয়ুস কলিতাই গীত পৰিৱেশন কৰা এই গ্ৰন্থ উন্মোচনী সভাত চাৰিকুৰিৰো অধিক সাহিত্যপ্ৰেমী লোকে অংশগ্ৰহণ কৰে। অনুষ্ঠানত কবি যোগেশ দাসে নিজৰ অনুভৱ প্ৰকাশৰ লগতে এটি কবিতা পাঠ কৰে। সভাখনত ৰাজ্যখনৰ কেবাগৰাকী বিশিষ্ট লোকে অংশগ্ৰহণ কৰে।

# দৰং জিলা সংস্কৃত শিক্ষক সমিতিৰ সংস্কৃত অভিৱৰ্তন সম্পন্ন, শিক্ষক-শিক্ষাৰ্থীক সম্বৰ্ধনা

**ই-সংবাদ, ছিপাঝাৰ, ১৫ নৱেম্বৰঃ** মঙলদৈ সংস্কৃত বিদ্যালয়ত আজি দৰং জিলা সংস্কৃত শিক্ষক সমিতিৰ সংস্কৃত অভিৱৰ্তন, সম্বৰ্ধনা আৰু অভিনন্দন অনুষ্ঠান দিনযোৰা কাৰ্যসূচীৰে সম্পন্ন হয়। কাৰ্যসূচী অনুসৰি পুৱা ১০ বজাত অসম ৰাজ্যিক সংগ্ৰহালয়ৰ অৱসৰ প্ৰাপ্ত উপ-সঞ্চালক সুনীল কুমাৰ গোস্বামীয়ে বন্তি প্ৰজ্বলেনেৰে শুভাৰম্ভ কৰা অনুষ্ঠানটিত সভাপতিত্ব কৰে দৰং জিলা সংস্কৃত শিক্ষক সমিতিৰ সভাপতি বসন্ত কুমাৰ শৰ্মাই। মঙলদৈ শংকৰদেৱ শিশু-বিদ্যা নিকেতনৰ ছাত্ৰ-ছাত্ৰী সকলে সংস্কৃত আচাৰ্য অজিত শৰ্মাৰ তত্বাৱধানত মংগলাচৰণ আৰু এটি সংস্কৃত গীত পৰিৱেশন কৰে। শিক্ষক সমিতিৰ সম্পাদক যুগব্ৰত শৰ্মাই আঁতধৰা আৰু সহ-সম্পাদক ধনমণি শৰ্মাই উদ্দেশ্য ব্যাখ্যা কৰা অনুষ্ঠানটিত উদ্বোধক হিচাপে বক্তব্য ৰাখে মঙলদৈ মহাবিদ্যালয়ৰ সংস্কৃত বিভাগৰ মুৰব্বী অধ্যাপক গগেন কাকতিয়ে। তেওঁ দৰং জিলাৰ সংস্কৃত ক্ষেত্ৰখনত প্ৰচাৰ-প্ৰসাৰৰ ধাৰাবাহিকতা অক্ষুন্ন ৰাখি অহা বাবে কাৰ্যকৰ্তাসকলক ধন্যবাদ জ্ঞাপন কৰে। নিকেতনৰ ছাত্ৰ গীথাৰ্থ বড়োই এটি একক গীত পৰিৱেশন কৰি সকলোকে আপ্লুত কৰে। একেদৰে নিৰ্দিষ্ট বক্তাৰ ভাষণত মালিগাওঁ নেতাজী বালিকা ৰে'লৱে উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰী অধ্যক্ষ তথা বিশিষ্ট সংস্কৃতজ্ঞ পণ্ডিত মতিদেৱ শৰ্মা শাস্ত্ৰীয়ে ৰামায়ণ মহাভাৰতৰ শ্ৰুতিমধুৰ উদ্ধৃতিৰে সংস্কৃতৰ সুমধুৰ বক্তব্য আগবঢ়ায়। তেওঁৰ উপৰিও বিশিষ্ট অতিথি অৱসৰী সংস্কৃত শিক্ষক নীলমণি শৰ্মা, পাটাছাৰকুছি নিৰ্মল হালৈ মহাবিদ্যালয়ৰ সংস্কৃত অধ্যাপক ড° চিত্ৰৰঞ্জন শৰ্মাই তত্বগধুৰ বক্তব্য ৰাখে। সংস্কৃত ভাৰতী দৰং জিলাৰ অধ্যক্ষ গৌতম শৰ্মাই শিক্ষক সমিতিৰ বাৰ্ষিক পৰিকল্পনাৰ লগতে সাংগঠনিক দিশৰ ওপৰত বক্তব্য আগবঢ়ায়। সভাত ছিপাঝাৰ উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয়ৰ অৱসৰী সংস্কৃত শিক্ষক কুলেন্দ্ৰ শৰ্মা শাস্ত্ৰী, ঔতলা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰী সংস্কৃত শিক্ষক বিনোদ কুমাৰ গোস্বামীৰ লগতে সংস্কৃত শিক্ষক হিচাপে ডক্টৰেট ডিগ্ৰী লাভ কৰা ৰাম সৰস্বতী উচ্চ মাধ্যমিক বিদ্যালয়ৰ সংস্কৃত শিক্ষয়িত্ৰী মৃদুলা গোস্বামী, মঙলদৈ বিদ্যাপীঠ উচ্চ মাধ্যমিক বিদ্যালয়ৰ সংস্কৃত শিক্ষয়িত্ৰী কৰবী শৰ্মাক সম্বৰ্ধনা জ্ঞাপন কৰা হয়। আনহাতে উচ্চ মাধ্যমিকত সংস্কৃত বিষয়ত দৰং জিলাৰ ভিতৰত সৰ্বোচ্চ নম্বৰ প্ৰাপ্ত কেন্দ্ৰীয় জাতীয় বিদ্যালয়, মঙলদৈৰ ছাত্ৰী বেদিকা শৰ্মা আৰু উচ্চতৰ মাধ্যমিকত সৰ্বোচ্চ নম্বৰ প্ৰাপ্ত ব্ৰিলীয়েন্ট একাডেমি চিনিয়ৰ চেকেণ্ডাৰী স্কুলৰ ছাত্ৰী টিনাশ্ৰী ভট্টাচাৰ্যক অভিনন্দন জনোৱা হয়। সভাত অৱসৰী সংস্কৃত শিক্ষক মোহন চন্দ্ৰ শৰ্মা, ভবেন বৰদলৈ, সুনীল শৰ্মা, শিখাৰানী শৰ্মাৰ লগতে বিশিষ্ট ব্যক্তি সকল উপস্থিত থাকে।

## জিলা সমিতিক যোগাযোগৰ আহ্বান কৰ্মকাৰ সন্থাৰ

**ই-সংবাদ, গোলকগঞ্জ, ১৫ নৱেম্বৰঃ** ধুবুৰী জিলাৰ গোলকগঞ্জত আজি সদৌ অসম কৰ্মকাৰ (লোহাৰ) সন্থাৰ আহ্বায়ক সমিতিয়ে এখন সংবাদমেলৰ আয়োজন কৰে। সন্থাৰ সভাপতি সুধাহ্ন কৰ্মকাৰে কয় যে কৰ্মকাৰ সকল অন্যতম প্ৰাচীন জনগোষ্ঠী। বৃটিছৰ ঔপনিৱেশিকতাৰ বহু পূৰ্বৰে পৰা অসমত বসবাস কৰি আহিছে। মূল জীৱিকা হ'ল কৃষি সঁজুলি প্ৰস্তুত কৰা। নামনি অসম মূলতঃ কৃষি প্ৰধান অঞ্চল হোৱা হেতুকে কৃষি ক্ষেত্ৰত কৰ্মকাৰ সকলৰ অৱদান অপৰিসীম। কিন্তু কৰ্মকাৰ সকলৰ অৰ্থনৈতিক অৱস্থা তথৈবচ। তেওঁ কয় যে দেশৰ বিভিন্ন ৰাজ্যত কৰ্মকাৰ (লোহাৰ) সকলক অন্যান্য শ্ৰেণীৰ অন্তৰ্ভুক্ত কৰা হৈছে যদিও এই ক্ষেত্ৰত বঞ্চিত হৈ আছে অসমৰ কৰ্মকাৰ (লোহাৰ) সকল। সেয়ে এবছৰ পূৰ্বে ধুবুৰী জিলা কৰ্মকাৰ (লোহাৰ) সমিতিয়ে কৰ্মকাৰ (লোহাৰ) সকলক অন্যান্য পিছপৰা শ্ৰেণীৰ অন্তৰ্ভুক্ত কৰাৰ দাবীত অসম চৰকাৰৰ অসম পিছপৰা শ্ৰেণীৰ আয়ুক্তক এখন স্মাৰক পত্ৰ প্ৰদান কৰিছিল। সেই মৰ্মে অসম পিছপৰা আয়ুক্ত কাৰ্যালয়ৰ তৰফৰ পৰা ২১ অক্টোবৰত ধুবুৰী জিলা সমিতিক ৰাজ্যৰ সকলো কৰ্মকাৰ (লো) সকলক একত্ৰিত হৈ আবেদন জনোৱাৰ পৰামৰ্শ আগবঢ়ায়। উক্ত পৰামৰ্শৰ আধাৰতে আজি সভাপতি সুধাহ্ন কৰ্মকাৰে সকলো জিলা সমিতিক সদৌ অসম কৰ্মকাৰ (লোহাৰ) সন্থাৰ আহ্বায়ক সমিতি অথবা ধুবুৰী জিলা সমিতিৰ লগত যোগাযোগ কৰিবলৈ আহ্বান জনায়।



বড়মপুৰত এনেদৰে চলিছে ৰাসৰ প্ৰস্তুতি, ফটোঃ ই-সংবাদ, পুৰণিগুদাম

## দৰঙৰ আদৰ্শ গাঁও হালধাত আৰ্থিকভাৱে পিছপৰা ৰোগীলৈ সাহায্য

**ই সংবাদ, দুমুনিচকী, ১৫ নৱেম্বৰঃ** দৰং জিলাৰ ছিপাঝাৰ ৰাজহ চক্ৰৰ অন্তৰ্গত স্বচ্ছ গাঁও হিচাপে পৰিচিত হালধাত অনুষ্ঠিত হয় এক ব্যতিক্ৰমী কাৰ্যসূচী। সেইদিনা দীৰ্ঘদিন ধৰি ৰোগাক্ৰান্ত হৈ থকা আৰ্থিক ভাৱে পিছপৰা দুগৰাকী ৰোগীলৈ এইবছৰৰ বাৰ্ষিক চিকিৎসা সাহায্য প্ৰদান কৰা হয়। এইবেলি এই সাহায্য লাভ কৰে দুৰাৰোগ্য ৰোগত ভুগি থকা চম্পা নাথ আৰু প্ৰায় কুৰি বছৰ ধৰি পেটৰ এক জটিল ৰোগত ভুগি থকা কিৰণ নাথে। এইবেলি এই অৰ্থ সাহায্য আগবঢ়ায় ভাস্কৰজ্যোতি নাথ আৰু মদন চন্দ্ৰ নাথে। এই উপলক্ষে স্থানীয় গাঁও প্ৰধান ৰমেশ চন্দ্ৰ চৌধুৰীৰ সঞ্চালনাত আয়োজিত এক গাম্ভীৰ্যপূৰ্ণ সভাত এই অৰ্থ সাহায্য আগবঢ়োৱা হয়। ডেৰ শতাধিক ব্যক্তি উপস্থিত থকা এই সভাখনত সমজুৱাৰ ফালৰ পৰা ভুপেন চৌধুৰী, পবিত্ৰ ডেকা, বীৰেন্দ্ৰ কুমাৰ নাথ, মদন চন্দ্ৰ নাথ, তীৰ্থ ডেকা, ধীৰেন্দ্ৰ কুমাৰ নাথ আদিয়ে ভাষণ ৰাখি টিম হালধাৰ এনে পদক্ষেপৰ শলাগ লয়। সাহায্য প্ৰদান কৰি উপস্থিত সকলোৱে সমস্বৰে ঘোষা গাই ৰোগাক্ৰান্ত ব্যক্তি দুগৰাকীৰ আশু আৰোগ্য কামনা কৰা হয়। উল্লেখ্য যে, প্ৰতিবছৰেই ১৪ নৱেম্বৰৰ দিনটোত টিম হালধাৰ সৰ্বাধিনায়ক ভাস্কৰজ্যোতি নাথৰ জন্মদিন উপলক্ষে এই কাৰ্যসূচী ৰূপায়ণ কৰি অহা হৈছে। সভাত জন্মদিন উপলক্ষে ভাস্কৰজ্যোতি নাথলৈ গাঁৱৰ ৰাইজে ফুলৰ থোপা, গামোচা আদিৰে শুভেচ্ছা জনায় আৰু তেওঁ বিগত আঠ বছৰে কৰি অহা এনে কাৰ্যৰ শলাগ লয়। তেখেতৰ লগতে মদন চন্দ্ৰ নাথ, ধীৰেন্দ্ৰ কুমাৰ নাথ, নমিতা নাথ, তীৰ্থ ডেকা আদিয়েও আগন্তুক বৰ্ষত সাহায্য প্ৰদানৰ অংগীকাৰ কৰে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# জনতা অতিষ্ঠ মূল্যবৃদ্ধিত, মন্ত্ৰী-বিধায়কৰ

চৰকাৰৰ ১০ বছৰ পাৰ হৈ গ'ল যদিও মহংগাই কী মাৰ অৰ্থাৎ মূল্যবৃদ্ধিৰ মাধমাৰ হ্ৰাস পোৱাৰ পৰিৱৰ্তে এতিয়া এই মাধমাৰ আগতকৈয়ো অধিক ভয়াৱহহে হৈ পৰিছে। জনতাই এনেদৰে মূল্যবৃদ্ধিত ককবকাই থকাৰ সময়তে দিছপুৰৰ মছনদত বহি থকা চৰকাৰে নিজৰ দা-দৰমহা বৃদ্ধিৰ সকলো প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ কৰি তুলিছে। জানিব পৰা মতে, জুলাই মাহত বিধানসভাৰ অধ্যক্ষই মন্ত্ৰী-বিধায়কৰ দৰমহাৰ নিৰিখ বৃদ্ধিৰ বাবে গঠন কৰি বিশেষ কমিটিয়ে প্ৰতিবেদন দাখিল কৰিছে। এতিয়া অহা শীতকালীন অধিৱেশনত প্ৰতিবেদন গৃহীত হ'লেই মন্ত্ৰী-বিধায়কসকলৰ দৰমহা প্ৰায় ৫০ শতাংশ পৰ্যন্ত বৃদ্ধি পাব বুলি জানিব পৰা গৈছে। দৰমহা বাঢ়িব বুলি জানিয়ে বিৰোধী কংগ্ৰেছ, এআইইউডিএফ আদি দলৰ বিধায়কসকলেও বেছি হৈ-চৈ নকৰি সুৰতে সুৰ মিলাই মূল্যবৃদ্ধি ৰোধত সম্পূৰ্ণৰূপে বিফল হৈ পৰা বিজেপি চৰকাৰৰ বিৰুদ্ধে সজোৰে মাত মতাৰ পৰিৱৰ্তে এনেই দুই-আষাৰ কথা কৈয়েই দায়িত্ব সামৰি থোৱা দেখা গৈছে। অৱশ্যে ইয়াৰ মাজতে অসম জাতীয় পৰিষদৰ লুৰীণজ্যোতি গগৈ, ৰাইজৰ দলৰ অখিল গগৈয়ে নিজৰ ছ'চিয়েল মিডিয়া একাউণ্টযোগে সামগ্ৰীৰ মূল্যবৃদ্ধিৰ তালিকা উল্লেখ থকা পোষ্টাৰ শ্বেয়াৰ কৰি বিগত কিছুদিন ধৰি চৰকাৰক লক্ষ্য কৰি লোৱা দেখা গৈছে। শেহতীয়াকৈ কংগ্ৰেছ দলেও আৰম্ভ কৰিছে মূল্যবৃদ্ধিৰ বিৰুদ্ধে 'পোষ্টাৰ ৱাৰ'। আজি অসম প্ৰদেশ কংগ্ৰেছ কমিটিয়ে অফিচিয়েল ফেচবুক পেজত এখন পোষ্টাৰ মুকলি কৰি বিজেপি চৰকাৰ তথা মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক আক্ৰমণৰ লক্ষ্য কৰি লৈছে। পোষ্টাৰখনত সামগ্ৰীৰ মূল্য আৰু মুখ্যমন্ত্ৰীৰ ফটো সংলগ্ন কৰি তীৰ্যক আক্ৰমণ কৰিছে কংগ্ৰেছে। 'মুখ্যমন্ত্ৰীৰ বিলাসী জীৱনৰ বাবেই জনতাৰ মূৰত মূল্যবৃদ্ধিৰ বোজা' শীৰ্ষক কেপচন দি কংগ্ৰেছে পোষ্টাৰখনত উল্লেখ কৰা মতে, বৰ্তমান বজাৰত পিঁয়াজ ৯০ টকা, আলু ৬০ টকা, নহৰু ৪০০ টকা, আদা ৩০০ টকা, গাজৰ ১৬০ টকাকৈ কিলো বিক্ৰী হৈছে। মুখ্যত অসম প্ৰদেশ কংগ্ৰেছে মুখ্যমন্ত্ৰীৰ পৰিয়ালক আক্ৰমণৰ লক্ষ্য কৰি লৈ মুখ্যমন্ত্ৰীৰ পৰিয়ালে বিলাসী জীৱন কটাবলৈ জনতাৰ ওপৰত মূল্যবৃদ্ধিৰ বোজা জাপি দিছে বুলি কটুক্তি কৰে। কংগ্ৰেছৰ এই 'পোষ্টাৰ ৱাৰ'-এ সামাজিক মাধ্যমতো ব্যাপক চৰ্চা লাভ কৰা পৰিলক্ষিত হৈছে। ৫ সমষ্টিৰ উপ-নিৰ্বাচনৰ ভোটগ্ৰহণৰ পাছতে পুনৰ মূল্যবৃদ্ধিক লৈ কংগ্ৰেছে বিজেপিক লক্ষ্য কৰি লোৱা দেখা গৈছে। পোষ্টাৰ ৱাৰ কৰি জনতাৰ সমস্যাক সামাজিক মাধ্যমত তুলি ধৰি জনমত সংগ্ৰহৰ প্ৰয়াস কৰা দেখা গৈছে কংগ্ৰেছক। শেহতীয়াকৈ বিগত প্ৰায় ৬ মাহ ধৰি ৰাজ্যত অতি কম অতিবাহিত কৰিছে হিমন্ত বিশ্ব শৰ্মাই। ঝাৰখণ্ডৰ উপ-প্ৰভাৱীৰ দায়িত্ব লাভৰ পাছৰে পৰা ঝাৰখণ্ডত ব্যস্ত আছে মুখ্যমন্ত্ৰীগৰাকী। মাহটোৰ বেছি সময় মুখ্যমন্ত্ৰীগৰাকী ৰাজ্যৰ বাহিৰত থকাৰ সময়ত প্ৰশাসন চলাইছে আমোলাই। আমোলাই চলাই থকা ৰাজ্যখনত মূল্যবৃদ্ধিৰ ফলত ৰাইজে হাহাকাৰ কৰি সময় পাৰ কৰিবলগীয়া হৈছে। মানুহৰ খাদ্য ক্ৰয় কৰিব পৰা ক্ষমতা নোহোৱা হৈছে। বজাৰ চৰকাৰৰ নিয়ন্ত্ৰণৰ পৰা বাহিৰ হৈ পৰিছে। খুচুৰা মুদ্ৰাস্ফীতি ৬.২১ শতাংশ বৃদ্ধি পাইছে। খাদ্যৰ মুদ্ৰাস্ফীতি ৬.১৪ শতাংশ, শাক-পাচলিত ৪২.১৮ শতাংশ, ফল-মূল ৮.৪৩ শতাংশ, খোৱা তেল ৯.৫১ শতাংশ আৰু মাছ-মাংসত ৩.১৭ শতাংশলৈ মুদ্ৰাস্ফীতি বৃদ্ধি পাইছে। ফলত বজাৰত জুই জ্বলিছে। মানুহে পিঁয়াজ, আলু, মাছ-মাংস, ফল-মূল, শাক-পাচলিত ক্ৰয়ৰ ক্ষমতা হেৰুৱাই পেলাইছে। দৰিদ্ৰ সীমা ৰেখাৰ তলৰ লোক বা মধ্যবিত্তৰ পানীত হাঁহ নচৰা অৱস্থা হৈছে এনে নহয়, ধনীক শ্ৰেণীৰ মাজতো মূল্যবৃদ্ধিৰ ফলত প্ৰভাৱ দেখা গৈছে। চহৰৰ লগতে গ্ৰাম্য এলেকাত মানুহৰ ক্ৰয় ক্ষমতা বহু গুণে হ্ৰাস পাইছে। আগষ্ট মাহত উপভোক্তা মূল্য সূচাংক আছিল ৩.৬৫ শতাংশ। ছেপ্টেম্বৰ মাহত উপভোক্তা মূল্য সূচাংক আছিল ৩.৬৫ শতাংশ। অক্টোবৰ মাহত মুদ্ৰীস্ফীতি ৬.৯৪ শতাংশলৈ বৃদ্ধি পায় নতুন ৰেকৰ্ড গঢ়ে। এই সময়ছোৱাত খাদ্য সূচাংক আছিল ৬.৬৮ শতাংশ, নগৰীয়া খাদ্য সূচাংকৰ হাৰ আছিল ৫.৬২ শতাংশ। কিন্তু অক্টোবৰত মুদ্ৰাস্ফীতিৰ হাৰ ১০.৮৭ শতাংশ হয়গৈ। কেইটামান মাহৰ ভিতৰতে চহৰ-নগৰ, গ্ৰাম্য এলেকাৰ মানুহে ক্ৰয় ক্ষমতা হেৰুৱাই পেলাইছে। বজাৰত নতুন পিঁয়াজ, আলু আহিছে যদিও দাম কমাৰ নাম লোৱা নাই। আজিও পিঁয়াজ সত্তৰৰ পৰা আশী টকাৰ ভিতৰত বিক্ৰী হৈ আহিছে। ঠায়ে ঠায়ে আলু প্ৰতিকেজি ৫০ টকা পৰ্যন্ত বিক্ৰী হৈছে। বজাৰত প্ৰতিকিলো নহৰু ৪০০ টকাত বিক্ৰী হৈছে। খাদ্য-সামগ্ৰীৰ দাম ভয়াৱহ হাৰত বৃদ্ধি পোৱাত হ্ৰাস পাইছে মানুহৰ ক্ৰয় ক্ষমতা। কিন্তু চৰকাৰৰ পদক্ষেপ শূন্য। সাধাৰণ ৰাইজৰ স্বাৰ্থত চৰকাৰে কোনো পদক্ষেপ গ্ৰহণ কৰা নাই। মুখ্যমন্ত্ৰী খোদ ছয়টা মাহ ধৰি ঝাৰখণ্ডৰ নিৰ্বাচনত ব্যস্ত। আমোলাই চলাই থকা ৰাজ্যখনত পুঁজিপতি গোষ্ঠীয়ে নিজ ইচ্ছা মতে, খাদ্য-সামগ্ৰীৰ দাম বঢ়াই ৰাইজৰ তেজ শুহিছে। স্মাৰ্ট মিটাৰত বিল বৃদ্ধি, বাটে-ঘাটে জৰিমনা বিহা, টোলগেটৰ কৰৰ ভৰত মানুহে দৈনন্দিন জীৱন চলাই নিব নোৱাৰা হৈছে। মানুহে চকুৰে সৰিয়হৰ ফুল দেখিছে। এক কথাত ক'বলৈ মানুহৰ ককবকাই থকাৰ সময়তে চৰকাৰে মানুহৰ অৱৰ্ণনীয় অৱস্থাৰ ৰং চাইছে. খোদ মুখ্যমন্ত্ৰীজনে মাহৰ পিছত মাহ ধৰি ৰাজ্যৰ বাহিৰত আছে। আমোলাতন্ত্ৰই গ্ৰাস কৰা ৰাজ্যখনত মূল্যবৃদ্ধি এতিয়া ব্যাধি হৈ পৰিছে। আনহাতে মূল্যবৃদ্ধিক লৈ যোগান মন্ত্ৰী ৰণজিৎ দাসৰো টুলুঙা মন্তব্য অব্যাহত আছে। সাংবাদিকে মূল্যবৃদ্ধিক লৈ প্ৰশ্ন কৰিলেই মন্ত্ৰী দাসে ঘৰত নিজেও পত্নীৰ পৰা গালি শুনিবলগীয়া হৈ আছে বুলি কৈ গা এৰা দিব খোজা দেখা গৈছে। আন কেবাজনো শাসকীয় নেতায়ো অহৰহ টুলুঙা মন্তব্য কৰি গৈছে। এনেদৰে এতিয়া মূল্যবৃদ্ধিৰ প্ৰকোপত খাটিখোৱা দিনমজদুৰ, শ্ৰমিক শ্ৰেণীটোৱে এসাজ খাই এসাজৰ চিন্তাত দিন পাৰ কৰিবলগীয়াত পৰিছে। নিম্ন মধ্যবিত্ত আৰু মধ্যবিত্ত শ্ৰেণীৰ লোসকলেও 'কাট' কৰিবলগীয়া হৈছে নিয়মীয়া বজাৰৰ বাজেট। 'বজাৰত জ্বলিছে জুই, চৰকাৰ আছে শুই' এই শ্ল'গান এতিয়া মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ দিনত সাৰ্থক হৈ পৰিছে।

# যোৰহাটত চিপিআইএম দলৰ বিশেষ সন্মিলন সম্পন্ন

**ই-সংবাদ বিশেষ, ১৫ নৱেম্বৰঃ** যোৰহাট জিলাত ১২-১৩ নৱেম্বৰত চিপিআইএমৰ বিশেষ সন্মিলন অনুষ্ঠিত হয়। কেইবা শতাধিক লোকৰ উপস্থিতিত অনুষ্ঠিত সন্মিলনত আগন্তুক দিনৰ দলে গ্ৰহণ কৰিবলগীয়া কাৰ্যপন্থা সন্দৰ্ভত আলোচনা কৰা হয়। মুকলি সভাত দলৰ ৰাজ্যিক সাধাৰণ সম্পাদক কমৰেড সুপ্ৰকাশ তালুকদাৰে বিজেপি চৰকাৰৰ কৃষক শ্ৰমিক বিৰোধী তথা পুঁজিপতি তোষণকাৰী নীতিক সমালোচনা কৰে। সুপ্ৰকাশ তালুকদাৰে কয় যে দেশ তথা ৰাজ্যৰ বৰ্ধিত নিবনুৱা সমস্যা, কৃষকৰ ফচলৰ ন্যায্য দাম নোপোৱা, ৰাজহুৱা শিক্ষানুষ্ঠানসমূহ ধ্বংস কৰা, চাহ শ্ৰমিকৰ মজুৰি বৃদ্ধি নকৰা, চাহ বাগানৰ শ্ৰমিকক মাটিৰ অধিকাৰ প্ৰদান নকৰা, প্ৰকৃতিৰ লুণ্ঠন কৰা সমস্যাক উল্লেখ কৰি চৰকাৰৰ নীতিক ক্ষুৰধাৰ সমালোচনা কৰে। এফালে খিলঞ্জীয়াৰ স্বাৰ্থ ৰক্ষা কৰাৰ কথা কোৱা চৰকাৰে বসুন্ধৰা আঁচনিৰ দ্বাৰা সাধাৰণ মানুহক তিনি বিঘা মাটি দিয়াৰ আইন প্ৰণয়ন কৰিছে আৰু অন্যহাতে চৰকাৰখনে আদানীৰ দৰে পুঁজিপতিক ডিমা হাছাওত ৯ হাজাৰ বিঘা মাটি প্ৰদান কৰিছে। বিজেপিৰ বাবে খিলঞ্জীয়া আজিৰ দিনত আদানি, ৰামদেৱ, আম্বানিহে, সাধাৰণ মানুহৰ কল্যাণৰ বাবে চৰকাৰখনৰ বিশেষ সদিচ্ছা নাই বুলি মন্তব্য কৰে তালুকদাৰে। যোৰহাটৰ দিচৈ ভেলী বনাঞ্চলত বেদান্ত নামৰ বহুজাতিক কোম্পানীক তেল খননৰ বাবে অনুমোদন কৰাৰ প্ৰসংগত তালুকদাৰে কয় যে চৰকাৰ খনে প্ৰকৃতি লুণ্ঠনৰ বাবে সকলো পদ্ধতি গ্ৰহণ কৰিছে আৰু এই ক্ষেত্ৰত পূৰ্বৰ সকলো চৰকাৰৰ অভিলেখ ভংগ কৰিছে। বিকাশৰ নামত কেৱল উৰণ সেঁতু নিৰ্মাণ কৰা চৰকাৰখনে অসমক দেশৰ ভিতৰত নিম্ন স্থানলৈ লৈ গৈছে আৰু ইয়াত বিকাশ কেৱল কেইজনমান মন্ত্ৰী আৰু তেওঁলোকৰ পত্নী, নিকটাত্মীয়ৰ হে উন্নয়ন হৈছে।

# মোৰাঝাৰত উত্তৰ-পূৰ্বাঞ্চল ভিত্তিত ৮ম নৈশ ফুটবল

**ই-সংবাদ, মোৰাঝাৰ, ১৫ নৱেম্বৰঃ** হোজাই জিলাৰ মোৰাঝাৰত উত্তৰ-পূৰ্বাঞ্চল ভিত্তিত ৮ম বাৰ্ষিক এছএছবি ইণ্টাৰনেশ্যনেল আগৰউড প্ৰাইজমাণি নৈশ ফুটবল প্ৰতিযোগিতাৰ বৃহস্পতিবাৰে উদ্বোধন কৰা হয়। মোৰাঝাৰ ক্ৰীড়া সন্থাৰ খেলপথাৰত উদ্বোধন কৰা হয় এই প্ৰতিযোগিতাখন। উদ্বোধনী অনুষ্ঠানত অংশগ্ৰহণ কৰে অঞ্চলটোৰ ৰাজনৈতিক, অৰ্থনৈতিক, সামাজিক, শৈক্ষিক আৰু সাংস্কৃতিক তথা বৌদ্ধিক বিকাশৰ লগত জড়িত ব্যক্তিসকল উপস্থিত থাকি মূল্যৱান ভাষণ আগবঢ়ায়। মুখ্য অতিথি হিচাপে হোজাই জিলা আৰক্ষী অধীক্ষক সৌৰভ গুপ্তাই অংশগ্ৰহণ কৰি উপস্থিত খেলুৱৈ আৰু ৰাইজক উদ্দেশ্যে ভাষণ আগবঢ়ায়। প্ৰতিযোগিতাৰ আৰম্ভণিৰ পূৰ্বে ইণ্টাৰনেশ্যনেল স্কুলৰ ছাত্ৰসকলে বিভিন্ন কলা কৌশল প্ৰদৰ্শন কৰে। প্ৰতিযোগিতাখনিত সমাজসেৱক আনৱাৰ হুছেইন, মোৰাঝাৰ জিলা পৰিষদৰ প্ৰাক্তন সদস্যা ৰেজিয়া চুলতানা, কংগ্ৰেছ নেতা সাহাব উদ্দিন মজুমদাৰ, মোৰাঝাৰ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া নিখিল চন্দ্ৰ ৰয়কে ধৰি ভালেমান অতিথি আৰু কেইবা সহস্ৰাধিক দৰ্শক উপস্থিত থাকে।




চতুৰ্থ টি-২০ত জয়ী ভাৰত, দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে চাৰিখন মেচৰ টি-২০ শৃংখলা দখল

## ভাগ ল'ব ৩-৪ সহস্ৰাধিক এথলীটে, ১৫ লাখৰ পুৰস্কাৰ

# কোকৰাঝাৰত ৰাষ্ট্ৰীয় পৰ্যায়ৰ মাৰাথনৰ আয়োজন

**ই-সংবাদ, কোকৰাঝাৰ, ১৫ নবেম্বৰৰঃ** বিটিআৰৰ সদৰ কোকৰাঝাৰত পোনপ্ৰথমবাৰৰ বাবে অনুষ্ঠিত হ'ব ৰাষ্ট্ৰীয় পৰ্যায়ৰ মাৰাথন প্ৰতিযোগিতা। বিটিআৰ চৰকাৰৰ সহযোগত আৰু সেনাবাহিনীৰ উদ্যোগত অহা ১৭ নৱেম্বৰত অনুষ্ঠিত হ'বলগীয়া মাৰাথন প্ৰতিযোগিতাত দেশৰ বিভিন্ন ৰাজ্যৰ এনচিচি কেডেটৰ লগতে তিনিৰ পৰা চাৰি হেজাৰ অন্যান্য প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰিব। ৰাষ্ট্ৰীয় পৰ্যায়ৰ মাৰাথন প্ৰতিযোগিতাখনিক লৈ কোকৰাঝাৰত আয়োজক সমিতিয়ে পূৰ্ণ প্ৰস্তুতি অব্যাহত ৰাখিছে। উল্লেখ্য যে, মাৰাথন প্ৰতিযোগিতাখনিক লৈ আজি অৰ্থাৎ শুকুৰবাৰে সন্ধিয়া আয়োজক সমিতিয়ে কোকৰাঝাৰ ছাই ষ্টেডিয়ামৰ প্ৰেক্ষাগৃহত এক সংবাদমেলৰ আয়োজন কৰে। বিটিআৰৰ ক্ৰীড়া বিভাগৰ কাৰ্যবাহী সদস্য দাওবাইছা বড়ো, জিলা আয়ুক্ত মাছাগু পাৰ্টিন, এনচিচিৰ কৰ্ণেল অৰুণ প্ৰকাশ আগৰৱালে সংবাদমেল সম্বোধন কৰি সদৰি কৰা মতে মাৰাথন প্ৰতিযোগিতাখনত দেশৰ বিভন্ন ৰাজ্যৰ এক হাজাৰৰো অধিক এনচিচি কেডেটে অংশগ্ৰহণ কৰিব। তদুপৰি এনচিচি কেডেটছসহ দেশৰ বিভিন্ন ৰাজ্যাৰ ৩-৪ সহস্ৰাধিক প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰিব। কোকৰাঝাৰ ছাই ষ্টেডিয়ামৰ পৰা আৰম্ভ হ'বলগীয়া প্ৰতিযোগিতাখনত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব ৰাজ্যৰ ক্ৰীড়া মন্ত্ৰী নন্দিতা গাৰ্লোচা। বিটিচিৰ মুখ্য কাৰ্যবাহী প্ৰমোদ বড়োৰ উপৰিও সেনাবাহিনীৰ কেইবাগৰাকী শীৰ্ষ বিষয়াও প্ৰতিযোগিতাত উপস্থিত থাকিব বুলি আয়োজক সমিতিয়ে সদৰী কৰিছে। উল্লেখ্য যে, মাৰাথন প্ৰতিযোগিতাখনি তিনিটা শাখাত অনুষ্ঠিত হ'ব। ২১.১ কিলোমিটাৰ (হাফ মাৰাথন), ১০ কিলোমিটাৰ আৰু ৫ কিলোমিটাৰ এই তিনিটা শাখাত অনুষ্ঠিত হ'বলগীয়া মাৰাথন প্ৰতিযোগিতাত বিজয়ী হোৱা প্ৰতিযোগীসকলক সৰ্বমুঠ ১৫ লাখ টকাৰ নগদ ধনৰ পুৰস্কাৰ আগবঢ়োৱা হ'ব।




দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে চতুৰ্থ টি-২০ত সঞ্জু ছেমছনৰ বিস্ফোৰক শতক

# নৱজ্যোতিক হৰুৱাই 'ডিৰাক সমন্বয় কাপ'ত চেম্পিয়ন ১১ ষ্টাৰ ডিৰাক

**ই-সংবাদ, কাকপথাৰ, ১৫ নৱেম্বৰঃ** তিনিচুকীয়া জিলাৰ কাকপথাৰ ১ নং সৰুডিৰাক ৰাজহুৱা খেলপথাৰত সদৌ অসম মটক যুৱ-ছাত্ৰ পৰিষদ, কাকপথাৰ আৰু কাকপথাৰ আঞ্চলিক সমিতিৰ যৌথ উদ্যোগত আৰু ১ নং সৰুডিৰাক যুৱ সংঘৰ সহযোগত মটক ৰাজবংশৰ শেষজন ৰাজপেঞ্চনাৰ ৰাজকুমাৰ লংকেশ্বৰ গোহাঁই সোঁৱৰণী দ্বিতীয় বাৰ্ষিক ডিৰাক সমন্বয় কাপ-২০২৪ দিবা-নৈশ প্ৰাইজমানি ফুটবল প্ৰতিযোগিতাৰ ফাইনেল খেলখন ১১ ষ্টাৰ ডিৰাক আৰু নৱজ্যোতি ফুটবল ক্লাবৰ মাজত অনুষ্ঠিত হয়। খেলখনৰ প্ৰথমাৰ্ধত দুয়োটা দলেই ১-১ গ'ল দি সমতা ৰক্ষা কৰে যদিও খেলৰ দ্বিতীয়াৰ্ধত ১১ ষ্টাৰ ডিৰাকে ২ গ'ল দিয়াৰ পৰিৱৰ্তে নৱজ্যোতি ফুটবল দলে ১ গ'ল দি খেল সামৰিব লগা হয়। ফলাফল স্বৰূপে ১১ ষ্টাৰ ডিৰাকে ৩-২ গ'লত নৱজ্যোতি ফুটবল দলক পৰাস্ত কৰি খিতাপ জয় কৰে। চূড়ান্ত খেলখনৰ আৰম্ভনিতে পদ্মনাথ গোহাঞি বৰুৱা চৰকাৰী মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ দ্বাৰা বাৰেৰহণীয়া জনগোষ্ঠীয় নৃত্য প্ৰদৰ্শন কৰে। চূড়ান্ত খেলখনৰ শুভাৰম্ভ কৰে শদিয়া বিধান সভা সমষ্টিৰ বিধায়ক বলিন চেতিয়াই। "ডিৰাক সমন্বয় কাপ"-২০২৪ ৰ সংগতি ৰাখি প্ৰকাশিত স্মৃতিগ্ৰন্থ "সমন্বয়" উন্মচন কৰে স্থানীয় সমাজসেৱক বিপুল ফুকনে। বিভিন্ন জাতীয়-জনগোষ্ঠীয় দল-সংগঠনৰ নেতা উপস্থিত থকাৰ লগতে প্ৰায় দহ সহস্ৰাধিক দৰ্শকে উপভোগ কৰা খেলখন অতি ৰোমাঞ্চকৰ হৈ উঠিছিল। চূড়ান্ত খেলখন পৰিচালনা কৰিছিল ৰকি চাওৱক আৰু সহায়ক পৰিচালক হিচাপে আছিল প্ৰাণজ্যোতি চুতীয়া আৰু অৰূপ জ্যোতি গগৈ, লগতে চতুৰ্থ সহায়ক হিচাপে আছিল ভুৱন চাওৱক। সকলো ক্ৰীড়া প্ৰেমী ৰাইজৰ সহায়-সহযোগিতাত প্ৰতিযোগিতাখন সুচাৰুৰূপে অনুষ্ঠিত হৈ যোৱাৰ বাবে ধন্যবাদ জ্ঞাপন কৰিছে পৰিচালনা সমিতিয়ে।

newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)

কাৰ্যবাহী সম্পাদক
ধ্ৰুৱজ্যোতি ধনন্তৰি